# আহি তিৰুতা।

শ্ৰীস্বৰ্ণলতা ৰায়।

বেচ আঠ অনা।

# পাতনি।

প্ৰায় উনত্ৰিশ বছৰ নিজৰ মাতৃভূমিলৈ যোৱা নাই। যদিও ইমান আঁতৰত, তথাপি মাতৃভূমি,—নিজৰ আত্মীয় কুটুম্বাদিক পাহৰা নাই। নিজৰ ভাষা কবলৈ এতিয়াও ভাল লাগে। নিজৰ দেশৰ মানুহ দেখিলে এতিয়াও অসমীয়া কথাকৈ ৰসনাৰ তৃপ্তি পাই থাকোঁ। বৰৰ কামৰ পাছত অলপ আজৰিৰ সময়ত এই সৰু কিতাপখনি লেখি অসমীয়া বন্ধু বান্ধৱৰ আগত আগ বঢ়াইছোঁ। ইয়াত কেজনমান মহৎ তিৰুতাৰ সংক্ষিপ্ত জীৱনী আছে। আমাৰ অসমীয়া নৱা ছোৱালীয়ে—এই সকল তিৰুতাৰ বিষয় পঢ়ি যদি নিজৰ কৰ্ম্মক্ষেত্ৰত অলপমানও সহায় পায় তেনেহলে মোৰ শ্ৰম সাৰ্থক বুলি জানিম। বিদেশত থাকাৰ ও ছাপা হোৱাৰ বাবে তাৰ উপৰি আকৌ অসমীয়াত কিতাপ লেখা মোৰ এইয়ে প্ৰথম চেষ্টা—সেই দেখি ইয়াত বহুতো দোষ থাকিব পাৰে। ঈশ্বৰে যদি সময় দিয়ে এই দোষবোৰ অহাবাৰে সংশোধন কৰিম এই আশা ৰাখিলোঁ। মোৰ মাথোন এই আশা থাকিল যে আমাৰ নৱা ছোৱালী সকলে এই কিতাপখনি পঢ়ি অলপ উপকৃত হ'ব, কিয়নো তেঁওলোকেই আমাৰ ভবিষ্যতৰ আশা ভৰসাৰ স্থল।

মোৰ কোনো বন্ধুএ এই কিতাপখনিৰ প্ৰূফ সংশোধন কৰি ও ছবিৰ ব্লক দি সাহায্য কৰি মোক কৃতজ্ঞতা পাশত আবদ্ধ কৰিছে। সেই নিমিত্তে তেওঁক ধন্যবাদ জনাবৰ এই সুযোগ লওঁ।

হার্মিটেজ,<br>
কটক,<br>
এপ্ৰিল ১৯১৯।

শ্ৰীস্বৰ্ণলতা ৰায়।

ওঁ

# উৎসর্গ

স্বৰ্গীয়

ৰায় গুণাভিৰাম বৰুৱা বাহাদুৰ

মোৰ পৰমাৰাধ্য পিতৃদেৱতাৰ

নামে এই কিতাপখনি

আগ বঢ়ালোঁ।

# সূচীপত্ৰ।

| | | |
|---|---|---|
| ১। | কৰমেতিবাই | ১ |
| ২। | খনা | ২ |
| ৩। | মীৰাবাই | ৮ |
| ৪। | ৰাবেয়া | ১৭ |
| ৫। | মেৰী কাৰপেণ্টাৰ | ২৬ |
| ৬। | এলিজাবেথ ফ্ৰাই | ৪১ |
| ৭। | জয়মতী কুঁৱৰী * | ৪৮ |
| ৮। | শচী আই | ৫২ |
| ৯। | ফ্লোৰেন্স নাইটীঙ্গেল | ৬০ |

* সাহিত্যিক পেঞ্চনাৰ ৰায় চাহেব পদ্মনাথ বৰুৱাৰ আসাম বুৰঞ্জীৰ পৰা চিত্ৰ উদ্ধৃত।



জয়মতী কুঁৱৰী।

# আহিঁ তিৰুতা।

## কৰমেতি বাই।

ভাৰতবৰ্ষৰ দক্ষিণ প্ৰদেশত খাজল নামে এখন গাঁও আছে। সেই গাঁওৰ পৰশুৰাম নামেৰে এজন পণ্ডিত ৰজাৰ পুৰোহিত আছিল। তেওঁ বৈষ্ণৱ ধৰ্ম্মাবলম্বী আৰু ধাৰ্ম্মিক পুৰুষ আছিল। কৰমেতি বাই এই পণ্ডিতৰে জীয়াৰী। সৰুৰে পৰা ছোৱালীটিক ধৰ্ম্মত বৈষ্ণৱী আৰু জ্ঞানত বিদ্যাবতী কৰি তুলিবৰ তেওঁৰ যতন আছিল। শাস্ত্ৰ আৰু বৈষ্ণৱ কিতাপ-বোৰ পঢ়িব পাৰিব বুলি কৰমেতিক তেওঁ নিয়মমতে পঢ়ুৱাইছিল। অলপ বয়সতে কৰমেতি ধাৰ্ম্মিকা আৰু বিদ্যাবতী হৈ উঠিল। কৰমেতি বাইৰ ধৰ্ম্মই সহায় আছিল; ধৰ্ম্মই জীৱনৰ সুখ আৰু সম্বল ভাবি বিয়া কৰায় সংসাৰী হবৰ ইচ্ছা নাছিল। কিন্তু পিতাৰ আদেশত তেঁওৰ সংসাৰত সোমাব লগীয়াত "পৰিছিল

যদিচ সি সুখৰ নহল। পিত্ৰালয়ত তেঁও দেবাৰ্চ্চনা আৰু হৰিনাম কৰি দিন কটাইছিল। কৰমেতিয়ে স্বামীৰ ঘৰলৈ গৈ দেখিলে যাক জীৱনৰ সঙ্গী কৰি পিতাকে দিলে তেঁও মহা বিষয়ী মানুহ। কৰমেতিৰ ধৰ্ম্মানুষ্ঠানবিলাকে তেঁওৰ স্বামীক বিৰক্ত ওপজালে। ঘৰত অশান্তি হল। দুইৰো মনোমালিন্য হল। যেতিয়া প্ৰতি ধৰ্ম্মকামত কৰমেতি বাইয়ে স্বামীৰ পৰা বাধা পাবলৈ ধৰিলে আৰু এনে সাংসাৰিক জীৱন তেওঁৰ অসহনীয় হল তেতিয়া স্বামীৰ সংসৰ্গ এৰি এক পৰমপিতা প্ৰভুক সোৱামীৰূপে বৰণ কৰি স্বামীৰ গৃহ এৰি পলায়ন বিনা গতি নাই বুজি তাকে স্থিৰ কৰি তেওঁ বৃন্দাবনলৈ যোৱাই স্থিৰ কৰিলে। গভীৰ ৰাতি শুবৰ ঘৰৰ পৰা তেওঁ বাহিৰলৈ আহিল। ঘৰৰ সকলো দুৱাৰ বন্ধ পলাবৰ বাট নাই, একো উপায় নেপাই ওপৰ তলাৰ পৰা তলৰ বাটলৈ তেওঁ জপিয়াই পৰিল। ধৰ্ম্মৰ ওচৰত মৃত্যুও তুচ্ছ। তেওঁ বৃন্দাবনৰ বাটো নিচিনে; কিন্তু উৰ্দ্ধশ্বাসে লৰিবলৈ ধৰিলে।

ৰাতিপুৱা পৰশুৰামে যেতিয়া শুনিলে কৰমেতি বাই ঘৰত নাই অতিশয় ব্যাকুল হৈ ৰজাৰ আগত

সকলো কথা জনালে। ৰজাই চাবিওফালে কৰমেতি বাইক বিচাৰিবলৈ মানুহ পঠিয়ালে। কৰমেতি বাইয়ে এখন পথাৰৰ ভিতৰেদি যাঁওতে পাছত বহুত মানুহৰ কথা শুনি বুজিলে যে তেঁওকেই অনুসৰণ কৰি মানুহবোৰ আহিছে। তেওঁ কি কৰিব বুজিব নোৱাৰি জীৱটো হাতত লৈ লৰিবলৈ ধৰিলে। অলপ দূৰৈতে এটা মৰা দুৰ্গন্ধময় উট্ পৰি থকা তেওঁ দেখিলে। তাৰ ভিতৰৰ হাড় মঙ্গহ শিয়াল কুকুৰে শেষ কৰিছিল। কেৱল দুৰ্গন্ধময় ছালখন পৰি আছে, তাৰ ওচৰলৈ মানুহৰ যোৱা অসাধ্য। কৰমেতি বাইয়ে গোন্ধ বা ঘিণলৈ দৃক্পাৎ নকৰি শৰটোৰ ভিতৰত সোমাই লুকাই থাকিল। ৰজাৰ মানুহে তেওঁক বিচাৰি নাপাই দুৰ্গন্ধত অস্থিৰ হৈ সেই ঠাইৰ পৰা গুচি গল। তেতিয়া কৰমেতি ওলাই আহি আকৌ বৃন্দাবনৰ ফাললৈ যাত্ৰা কৰিলে। বাটত অনাহাৰ অনিদ্ৰা পথকষ্ট সকলোকে তেও অগ্ৰাহ্য কৰি মানুহক সুধি সুধি খোজ কাঢ়ি গৈ অৱশেষত বৃন্দাবন পালে গৈ। তেওঁৰ বহুত দিনৰ মনৰ অভিলাষ হৰিয়ে পূৰ্ণ কৰিলে। বৃন্দাবনত নাম জপ কৰি আৰু হৰি সঙ্কীৰ্ত্তন কৰি শ্ৰীকৃষ্ণৰ ধ্যানত মগন

হৈ তেওঁ জীৱন কটাবলৈ ধৰিলে। পণ্ডিত কৰমেতি বাইৰ নিমিত্তে অস্থিৰ হৈ পৰিল ঘঁৰত মন বহুৱাব নোৱাৰি, ঘৰ গাঁও এৰি ব্যস্ত হৈ দেশ বিদেশত ফুৰি ফুৰি জীয়েকক অনুসন্ধান কৰিবলৈ ধৰিলে। বহুত দিনৰ মুৰত বৃন্দাবনত তেওঁ কন্যাক দৰ্শন পালে। প্ৰথম দিন দেখিলে কৰমেতিয়ে চকু মুদি ভগবানৰ ধ্যানত মগ্ন হৈ আছে, দুই চকুৰে লো বৈ গৈছে। দেখিলেই ভক্তিৰ স্ৰোত বৈ যায়। পৰশুৰাম ভাৰত মুগ্ধ হল। তেওঁ জীয়েকক সেৱা নকৰি থাকিব নোৱাৰিলে। ইয়াকে বোলে ভক্তৰ প্ৰেম!!

পৰশুৰামে কৰমেতি বাইক ঘৰলৈ ওভোতাবৰ নিমিত্তে বহুত অনুৰোধ কৰিলে, কিন্তু যাৰ ভগৱানৰ প্ৰেমত মন বুৰিছে, তাৰ সংসাৰৰ ফাললৈ মন নটলিল, পিতাৰ ক্ৰন্দনেও তেওঁৰ মন গলাব নোৱাৰিলে, তেওঁ বিনয় কৰি পিতাকক ক্ষমা মাগি থাকিবৰ আদেশ মাগিলে। পৰশুৰামে অনুমতি দি চকুৰ পানী টুকি ঘৰলৈ উভতি আহি ৰজাক সকলো কথা জনালে। ৰজাও এজন ভক্ত আছিল। তেওঁও কৰমেতিবাইৰ কৃষ্ণ ভক্তিৰ কথা শুনি বৃন্দাবনলৈ দেখিবৰ নিমিত্তে গল। বাইৰ কৃষ্ণ ভক্তি দেখি ৰজা বৰ আনন্দিত

হল। কৰমেতি বাইৰ নিতান্ত অনিচ্ছা সত্বেও ৰজাই সৰু এটা কুটীৰ নিৰ্ম্মাই দিলে। অৱশিষ্ট জীবন কৰমেতিয়ে সেই কুটীৰতে ধ্যান কৰি কটায়। কুটীৰৰ ধ্বংসাবশেষ আজি পৰ্য্যন্ত বিদ্যমান থাকি কৰমেতি বাইৰ কৃষ্ণ ভক্তি স্মৰণ কৰাই দিয়ে, ভগৱৎ প্ৰেমিকবিলাকে আজিও সেই চিৰস্মৰণীয়া কৰমেতি বাইৰ উদ্দেশে সেই অৱশিষ্টাংশ কুটীৰত মূৰ দোঁৱাই সেৱা কৰে।

---

# খনা।

খনা আমাৰ ভাৰতবৰ্ষীয় হিন্দু তিৰুতা। পূৰ্ব্বকালত আমাৰ দেশত তিৰুতা মানুহেও নানাৰকম বিদ্যাচৰ্চ্চা যে কৰিছিল এই চিৰস্মৰণীয়া মহিলাই তাৰ সাক্ষী। জ্যোতিষবিদ্যাত খনা পণ্ডিতা আছিল। তেওঁ নিজেই বহুতো বৈজ্ঞানিক তত্ব আবিষ্কাৰ কৰিছিল। আজি পৰ্য্যন্ত তেওঁৰ নিচিনা জ্যোতিষী পণ্ডিতৰ নাম শুনিবলৈ পোৱা নাযায়। কথিত আছে খনাই ৰাক্ষসবিলাকৰ (অনাৰ্য্য জাতিৰ) পৰা এই বিদ্যা শিকিছিল সেই সময় সুসভ্য আৰ্য্যবিলাকৰ

মাজত এই বিদ্যা সোমোৱা নাই। বিক্রমাদিত্য ৰজাই সেই সময়ত ৰাজত্ব কৰিছিল। মহাৰাজা বিক্রমাদিত্যৰ নবৰত্নৰ ভিতৰত বৰাহ নামেৰে এজনৰ পুতেক মিহিৰ ও খনাৰ সঙ্গী হৈ এই অনাৰ্য্য বিলাকৰ ছাত্র হয়। এই ছাত্র আৰু ছাত্রী দুইও বিশেষ মনোযোগ ও উৎসাহেৰে জ্যোতিষবিদ্যা শিকিবলৈ ধৰিলে। দুইযো যেতিয়া বিদ্যাশিক্ষা শেষ হল উভয়ৰ বিবাহ হল। বিবাহৰ পাছত খনাও বধূৰূপে আহি বৰাহৰ ঘৰত সোমাল। স্বামীতকৈও খনা জ্যোতিষবিদ্যাত বেশী পণ্ডিতা আছিল; এনে কি আজি পৰ্য্যন্ত এনে এজন জ্যোতিৰ্ব্বিদ উপজিছে বুলি শুনা নাযায়। তেওঁৰ শেষ জীৱন বৰ শোক-জনক। তেওঁৰ শহুৰেক বৰাহ ৰজাৰ নবৰত্নৰ এজন। আকাশত কিমান তৰা আছে ৰজাৰ জানিবৰ নিমিত্তে ইচ্ছা আৰু কৌতূহল হল, এই বিষয় গণনা কৰিবৰ ভাৰ বৰাহৰ ওপৰত পৰিল। বৰাহ এই বিষয়ে একেবাৰে অজ্ঞ। তেওঁ বিবুদ্ধি হৈ ঘৰলৈ আহিল আৰু আহাৰ নিদ্রা একেবাৰে এৰি বিছনাত শুলে। পুত্রবধূ খনাই শুধি সকলো জানিলে আৰু গণি দিবৰ নিমিত্তে স্বীকৃত হল।

খনাৰ জ্যোতিষবিদ্যাৰ ফল লৈ বৰাহ ৰাজসভালৈ গল আৰু ৰজাক জনাই সুখী কৰিলে। ৰজাই আচৰিত হৈ তেওঁ কেনেকৈ গণিলে বুজাই দিবলৈ সুধিলে। বৰাহ একেবাৰে অজ্ঞ, মহা বিপদত পৰি বোৱাৰীয়েকৰ নাম কব লগীয়াত পৰিল। মহাৰাজাই তেওঁৰ ৰাজ্যত এনে এজন পণ্ডিতা আছে জানি সন্মান দেখুৱাবৰ অৰ্থে খনাক দশম ৰত্নৰ ঠাইত বহুৱাব খুজিলে। বৰাহে ইয়াত বৰ লাজ পালে। বোৱাৰীয়েক আহি ৰাজসভাত বহিব এইটো তেওঁ বৰ অপমান বোধ কৰিলে আৰু কেনেকৈ ইয়াৰ পৰা উদ্ধাৰ পাব তাকে চিন্তা কৰি খনাৰ জিবা কাটি দিয়াটো এই স্থিৰ কৰিলে। কিয়নো তেনেহলে আৰু ৰাজসভাত কোনো কামত আৱশ্যক নহব। এই ভাবি নিজ পুত্ৰ মিহিৰক এই কাম কৰিবৰ নিমিত্তে তেওঁ আদেশ দিলে। মিহিৰে পিতৃ আজ্ঞা পালন কৰিবই লাগিব ভাবি ছুৰীলৈ খনাৰ ঘৰলৈ গল। খনাই জ্যোতিষ শাস্ত্ৰ বিদ্যাৰ ফলত পূৰ্ব্বেই তেওঁৰ জীৱনৰ শেষ দশা গণি ৰাখিছিল। স্বামীক দেখিয়েই কলে "তুমি অপ্ৰস্তুত আৰু দুঃখিত নহবা, বিধাতাৰ বিধান হবই" বুলি জিবা উলিয়াই দিলে

মিহিৰে ছুৰী বহুৱাই দিলে। শিৰ কাটি তেজৰ নদী বৈ গল। তাৰ লগে লগে পণ্ডিতা খনাৰ প্ৰাণে ইহ-জগতৰ পৰা বিদায় নিলে। এই বিদুষী মহীয়সী মহিলাই আমাৰ দেশত তেওঁৰ নাম চিৰস্মৰণীয়া কৰি থৈ গল।

---

# মীৰাবাই।

মীৰাবাই মহাৰাষ্ট্ৰীয় তিৰুত। তেওঁ ৰজাৰ জীয়ৰী নহয়; কিন্তু ৰূপ, গুণ, আৰু হৰিসংকীৰ্ত্তন শুনাই চিতোৰৰ ৰাজকুমাৰৰ মন মুগ্ধ কৰি অৱশেষত ৰাজসিংহাসনত ঠাই পাইছিল। সৰুৰে পৰা তেওঁ বৰ ভক্তিমতী আছিল। সংসাৰৰ ভোগ বিলাসত তেওঁৰ মন নাছিল। মীৰা যেতিয়া সৰু আছিল তেওঁৰ সুন্দৰ স্তৱ গীত গাব পাৰিছিল। ভক্ত সকলে তেওঁৰ স্তৱ শুনি সংসাৰৰ কথা পাহৰি বিভোৰ হৈ পৰিছিল। নানা দেশৰ পৰা তেওঁৰ হৰি সঙ্কীৰ্ত্তন শুনিবৰ নিমিত্তে তেওঁৰ পিতাকৰ ঘৰত বহুতো মানুহ আলহী হৈছিল। এ সময়ত চিতোৰৰ ৰাজকুমাৰও আহি-ছিল। ৰাজকুমাৰ কুম্ভই গীত শুনি মুগ্ধ হৈ তেওঁক

পত্নীৰূপে পাবৰ ইচ্ছা কৰিলে, আৰু ৰাজ্যলৈ উভতি গৈ বিবাহ প্ৰস্তাৱ কৰি দূত পঠাই দিলে। কুলশীলত ৰাজকুমাৰ উপযুক্ত পাত্ৰই, মীৰাৰ পিতাকে সম্মত হৈ বিবাহ দিলে।

ৰাজপুৰীলৈ আহি মীৰা ঘৰত আবদ্ধ হল। মন খুলি হৰি সঙ্কীৰ্ত্তন কৰিব নোৱাৰাত পৰিল। তেওঁৰ মন মৰি যাবলৈ ধৰিলে। তেওঁ লেখা পঢ়া জানিছিল, পদ্য লেখিবৰ শকতি আছিল, সঙ্কীৰ্ত্তন কৰিব নোৱাৰাত দেবতা "ৰঞ্চোৰদেবৰ" নামে নানা পদ্য গীত লেখি প্ৰচাৰ কৰিবলৈ ধৰিলে। তেওঁৰ ৰচিত গীত সকল বৈষ্ণব সমাজত চলিবলৈ ধৰিলে, আজি পৰ্য্যন্ত সেই গীত চলিব লাগিছে। তেওঁ বৈষ্ণব গ্ৰন্থ "ৰাগগোবিন্দ" আৰু "গীতগোবিন্দৰ" টীকা দুখনি লেখি সকলোৰে প্ৰশংসাৰ পাত্ৰী হৈছে। এইৰূপে তেওঁ নিজৰ মনক আৰু ঘৰৰ ভিতৰত বন্ধ কৰি ৰাখিব নোৱাৰিলে; সৰ্ব্ব সাধাৰণৰ লগত মন খুলি হৰিনাম কৰি আৰু হৰিনাম শুনাই নিজৰ জীৱন সাৰ্থক কৰিবৰ নিমিত্তে ব্যস্ত হৈ ৰজাক নিজৰ মনৰ ভাব জনালে। ৰজাই অন্তঃপুৰ মহলত এটি দেৱতাৰ মন্দিৰ স্থাপন কৰি দিলে, বৈষ্ণব বৈষ্ণবী মাত্ৰেই এই মন্দিৰলৈ যাব

পাৰিছিল আৰু মীৰাবাইও এওঁবিলাকৰ লগত হৰি-সঙ্কীৰ্ত্তনত যোগ দিব পাৰিছিল। অতিথি মাত্ৰেই দেৱতাৰ ভোগ পাইছিল, অভুক্ত হৈ কোনোৱেই যাব নোৱাৰিছিল। ক্ৰমে ক্ৰমে মীৰা হৰিসংকীৰ্ত্তন আৰু অতিথি সেৱাত বিভোৰ হৈ পৰিল; সংসাৰৰ পৰা লাহে লাহে দূৰৈৰ হৈ যাবলৈ ধৰিলে, স্বামীৰ প্ৰতি অযত্ন কৰিবলৈ ধৰিলে, আৰু স্বামীৰ সেৱা আৰু আৰামৰ ব্যবস্থা কৰি দিবৰ কথা মাজে মাজে পাহৰি যাবলৈ ধৰিলে। ৰজাই তেতিয়া ৰাণীক এনেকৈ সকলোৰে সৈতে ঘনিষ্ঠতা কৰা দেখি আৰু তেওঁৰ ওপৰত ৰাণীৰ অযত্ন দেখি মনে মনে বিৰক্ত হবলৈ ধৰিলে। তেওঁ ৰজা—যৌবনকাল—তেওঁৰ ভোগ-বিলাসৰ সময়, একোৰে অভাব নাই, তেওঁৰ ইচ্ছা যে মীৰাও তেওঁৰ নানা ভোগবিলাসৰ বস্তুৰ মাজত এজন হয় কিন্তু মীৰাই ধৰা নিদিয়ে, এইটো ৰজাৰ অসহণীয় হল। ৰাণীক তেওঁৰ মতলৈ আনিব নোৱাৰি একো উপায় নাপাই পুনৰায় বিবাহৰ প্ৰস্তাৱ কৰি মীৰাকে জনালে। মীৰাই অতি সন্তোষ মনেৰে অনুমতি দিলে।

মীৰাৰ অনুমতি পাই ৰজাই ৰাজকুমাৰীৰ অন্বেষণ

কৰিবলৈ ধৰিলে। ঝালবাৰ ৰাজকুমাৰীৰ ৰূপ লাৱণ্যৰ কথা তেওঁৰ জনা আছিল। তাইলৈকে বিবাহৰ প্ৰস্তাৱ কৰি দূত পঠালে কিন্তু তাৰ পূৰ্ব্বেই মন্দাৰ ৰাজকুমাৰৰ লগত তেওঁৰ বিবাহ স্থিৰ হৈ গৈছিল। বিয়াৰ ৰাতি ঝালবাৰ ৰাজকুমাৰীক কুম্ভ ৰজাই হৰণ কৰি আনিলে। ঝালবাৰ ৰাজকুমাৰীৰ কিন্তু মন্দাৰ ৰাজকুমাৰৰ লগত প্ৰণয় আছিল। হৰণ কৰি আনিলেও দুইকো মনৰ মিল নহল। কুম্ভ ৰজাৰ কপাল।

সকলো বৈষ্ণৱ বৈষ্ণৱীয়ে মীৰাবাইৰ ৰাঞ্ছোড়দেৱৰ মন্দিৰলৈ যাব পাৰিছিল আৰু অতিথি সকলো অভুক্তহৈ নুভতিছিল, সকলোৱে দেৱতাৰ প্ৰসাদ লবলৈ বাধ্য এনে নিয়মেই আছিল। এদিন মন্দাৰ ৰাজকুমাৰে বৈষ্ণৱৰ ছদ্মবেশ ধৰি সেই মন্দিৰলৈ গল। দেৱতা দৰ্শন কৰি প্ৰসাদ নলৈ উভতিবৰ সময় হোৱা দেখি মীৰাবাই ব্যস্তহৈ পৰিল। অতিথি অভুক্তহৈ ফিৰিলে অধৰ্ম্ম হব; সেই দেখি ব্যগ্ৰ হৈ মীৰাবাইয়ে কাকূতি মিনতি কৰিবলৈ ধৰিলে। বৈষ্ণৱবেশধাৰী ৰাজকুমাৰে একোতে সম্মত হব নুখুজিলে, বহুত অনুনয় বিনয় কৰাত পাছত মীৰাক প্ৰতিজ্ঞাবদ্ধ

কৰালে যে "আপুনি যদি মোৰ এটা অনুৰোধ ৰাখে তেন্তে মই প্ৰসাদলৈ আতিথ্য স্বীকাৰ কৰিব পাৰোঁ।" মীৰাই বাধ্যহৈ প্ৰতিজ্ঞাত আবদ্ধ হল, অঙ্গীকাৰ কৰিলে। তেতিয়া কুমাৰে নিজৰ পৰিচয় দি ঝালবাৰ কুমাৰীৰ বিষয় সকলো কথা জনালে আৰু এবাৰ তেওঁক দৰশন পাবৰ অভিলাষ জনালে। এইয়েই তেওঁৰ অনুৰোধ। অন্তঃপুৰলৈ পৰপুৰুষ সোমাবৰ সাধ্য নাই—বিশেষ এই ভাবে—কল্পনাৰো অতীত। মীৰাৰ মূৰত বজ্ৰ পৰা দি পৰিল। তত্ৰাচ প্ৰতিজ্ঞাত আবদ্ধ—এই হেন বিপদ মূৰতলৈও এই দুঃসাহসৰ কাম কৰিবলৈ প্ৰস্তুত হল। ৰাজ অন্তঃপুৰৰ গুপ্ত দুৱাৰ মেলি দি মন্দাৰ ৰাজকুমাৰক অন্তঃপুৰৰ বাট দেখুৱাই দিলে। দুৰ্ভাগ্যবশতঃ কুম্ভ ৰজা ঠিক সেই সময়তে ঘৰৰ দুৱাৰ মুখতে থিয় দি আছিল আৰু বৈষ্ণববেশধাৰী ৰজাক দেখি চিনিব পাৰিলে। মন্দাৰ ৰাজকুমাৰেও হতবুদ্ধি হৈ উভতি গুচি গল। ঝালবাৰ ৰাজকুমাৰীৰ সৈতে আৰু দেখা নহল।

কুম্ভ ৰজাই বুজিব পাৰিলে যে মীৰাৰ দ্বাৰাই বৈষ্ণববেশধাৰী ৰাজকুমাৰে অন্তঃপুৰ প্ৰবেশ কৰিব পাৰিছে। তেওঁ জ্বলি উঠিল। দিগ্বিদিক্ নেদেখি

মীৰাক অতি কঠোৰ বচনেৰে গালি দি ৰাজ্যৰ পৰা খেদাই দিলে। মীৰাই ৰজাৰ ভৰীৰ ধূলি মূৰত লৈ হৰিসঙ্কীৰ্ত্তন কৰি কৰি ৰাজপুৰী এৰি গুচি গল। চিতোৰবাসী সকলোৱে মীৰাবাইক অতিশয় শ্ৰদ্ধা আৰু ভক্তি কৰিছিল। ৰাজ্যত হুলস্থূল পৰি গল। চাৰিওফালে সকলোৱে চকু লো টুকিবলৈ ধৰিলে আৰু ৰজাৰ অপবাদ কৰিবলৈ ধৰিলে। ৰজাৰো যেতিয়া খংটো অলপমান কম পৰিল, তেঁও মীৰাবাইক আনিবলৈ মানুহ পঠিয়ালে। মীৰাবাইয়ে ৰজাৰ আজ্ঞা পাই কলে "মই চিতোৰ ৰাজৰ দাসী মাত্ৰ, তেঁওৰ আদেশত ৰাজ্য এৰিছিলোঁ আকৌ তেঁওৰ আজ্ঞাত ৰাজপুৰীলৈ যাম।" মীৰাবাই আকৌ ৰাজপুৰীলৈ উভতি আহিল। পূৰ্ব্বে অন্তঃপুৰৰ ভিতৰতে কেবল মীৰাই বৈষ্ণৱ বৈষ্ণৱী সকলোৰে সৈতে সঙ্কীৰ্ত্তন কৰিছিল, এইবেলি ৰাজবাটত সাধাৰণ সকলো মানুহৰে সৈতে তেঁও হৰি সঙ্কীৰ্ত্তন কৰিবৰ আদেশ ৰজাৰ পৰা পালে। ৰাজ্যত এটা ধৰ্ম্ম ভাব দেখা দিলে। লৰা ছোৱালী, বুঢ়া বুঢ়ী, যুবক যুবতী সকলো আহি মীৰাৰ সঙ্কীৰ্ত্তনত যোগ দিবলৈ ধৰিলে। ৰাতিপুৱা গধূলী চিতোৰ ৰাজ্য

মীৰাৰ ৰচিত সঙ্কীৰ্ত্তন ধ্বনিত হব ধৰিলে। মীৰাক সকলোৱে "দেৱী" ভাবে দেখিছিল। তেওঁৰ হৃদয় বন্দিৰাক সঙ্কীৰ্ত্তন শুনিবৰ নিমিত্তে দেশবিদেশৰ পৰা মানুহ আহিবলৈ ধৰিলে; সকলোৱেই মীৰাৰ লগত সঙ্কীৰ্ত্তনত যোগ দিব পাৰিছিল।

পৃথিবীত কপট পৰনিন্দুক মানুহ বহুত। তাৰ ভিতৰতে কেইজনমান মানুহে কপট কৰি মীৰাবাইৰ নিৰ্ম্মল পবিত্ৰ চৰিত্ৰত কলঙ্ক আৰোপ কৰিবলৈ ধৰিলে। এ সময়ত এজন ধনী মানুহে সঙ্কীৰ্ত্তনত মুগ্ধ হৈ মীৰাক এখন দামী অলঙ্কাৰ উপহাৰ দিয়ে। মীৰাই সেই অলঙ্কাৰ "ৰণ্ছোড়দেৱক" পিন্ধাই দিয়ে। পৰনিন্দুক সকলে এই কথা নানাভাবে কুৎসা ৰচনা কৰিবলৈ ধৰিলে। লাহে লাহে কুম্ভৰ কাণলৈ গল ৰজাই থঙত সকলো আন্ধাৰ যেন দেখি একো ঠিক কৰিব নোৱাৰি মীৰালৈ লেখি জনালে যে "নৈত বুৰি তুমি এই কলঙ্কৰ পৰা উদ্ধাৰ হোৱা"। মীৰাবায়ে এবাৰ ৰজাক শেষ দেখা দেখিব খুজিলে। কিন্তু ৰজাই দেখা নকৰিলে। মীৰাই স্বামীৰ আজ্ঞা মূৰত লৈ নৈত জপিয়াই পৰিল। নদীয়ে তেঁওক কোলাত লৈ অজ্ঞান অৱস্থাত তীৰত থৈ গল। জ্ঞান

হলত মীৰাই খোজ কাঢ়ি বৃন্দাবনলৈ যাবলৈ ধৰিলে। ৰাজৰাণী আজি পথৰ ভিখাৰিণী। হৰিনামত তেঁও মত্ত। বাটে বাটে হৰিসঙ্কীৰ্ত্তনৰ নাম শুনি দলে দলে মানুহবিলাক আহি মীৰাৰ লগত যোগ দিবলৈ ধৰিলে। বহুতে তেঁওৰ সঙ্গ ধৰি বৃন্দাবনলৈ ওলাল। এদল যাত্ৰীৰ লগত মীৰাই বৃন্দাবন পালেগৈ আৰু শ্ৰীকৃষ্ণৰ পাদপদ্মত সেৱা কৰি জীৱন সাৰ্থক বোধ কৰিলে। সংসাৰৰ ধন অতি তুচ্ছ !!

তেঁওৰ ধৰ্ম্মভাবৰ কথা চাৰিওফালে প্ৰচাৰ হৈ পৰিল। নানাঠাইৰ পৰা বহুত মানুহ আহি মীৰাৰ শিষ্য হল। মীৰাৰ ৰচিত গীত সকল প্ৰচাৰ হৈ পৰিল। “মীৰা সম্প্ৰদায়” বুলি এদল সম্প্ৰদায় গঠিত হল। ক্ৰমে ক্ৰমে এই সকলো কথা কুম্ভ ৰজাই শুনিলে। জগতৰ মানুহে যাক মহাভক্ত বুলি সেৱা কৰিছে সেই হেন ৰাণীক তেঁও কটু কথা কৈ ৰাজ্যৰ পৰা খেদাই দিছে এই সকলো কথা মনতহে বৰ অনুতাপ হল, বৃন্দাবনলৈ গৈ মীৰাবাইক ক্ষমা মাগিলে। আৰু চিতোৰলৈ যাবলৈ বিশেষ কৰি অনুৰোধ কৰিলে। মীৰা চিৰদিন স্বামীৰ আজ্ঞাশীলা দাসী। চিতোৰলৈ উভতি গল; কিন্তু

আৰু ৰাজপুৰীত থাকিব নোৱাৰিলে। তেঁওৰ মন বিয়াকুল হল, শ্ৰীকৃষ্ণৰ পাদপদ্মৰ তলত পৰি থাকিবৰ অভিলাষ প্ৰবল হল। ধন সম্পদ অট্টালিকা সকলো বিষৰ দৰে মনত হল। তেঁও পুনৰায় বৃন্দাবনলৈ গল। কেবল ৰজাৰ অনুৰোধত মাজে মাজে চিতো-ৰলৈ আহি ৰজাক দেখা দি গৈছিল। শেষজীৱন তেঁও তীৰ্থ ভ্ৰমণ কৰি কটাইছিল। হৰিসঙ্কীৰ্ত্তন কৰোতে কৰোতে মীৰা প্ৰায় ভক্তিৰ প্ৰেমত অজ্ঞান হৈ দেৱতাৰ চৰণত পৰিছিল। অৱশেষত এদিন চিৰদিনৰ নিমিত্তে অজ্ঞান হল আৰু তেঁওৰ পৱিত্ৰ দেহ-পিঞ্জৰৰ পৰা প্ৰাণবায়ু উৰি গল। ইয়াকে বোলে ভকতৰ বিশ্বাস, আৰু ভকতিৰ বল। মৃত্যুৰ লগত সংগ্ৰাম নাই, শান্তিত ভগবানৰ চৰণত আশ্ৰয় পায়। চিতোৰত আজি পৰ্য্যন্ত ৰাঞ্চোড়দেবৰ সৈতে মীৰাবাইৰ পূজা হৈ থাকে। সকলে দেশতে তেঁও প্ৰাতঃস্মৰণীয়া।

---

# ৰাবেয়া

সীতা দময়ন্তী প্ৰভৃতি আমাৰ দেশৰ হিন্দু তিৰুতা সকলৰ নাম যেনে চিৰস্মৰণীয়া হৈ পৃথিবীত জ্বলিব লাগিছে, মুছলমান সমাজতো তেনেকুৱা কেজনমান তিৰুতাই চিৰস্মৰণীয়া হৈ জগতত্ উজ্জ্বল দৃষ্টান্ত থৈ গৈছে। তাৰে ভিতৰত ৰাবেয়া এজন। আৰব দেশৰ সৰু এখন গাঁওৰ ভিতৰত ইচমাইল নামে এজন দুখীয়া মানুহৰ ঘৰত ৰাবেয়াৰ জনম হয়। নিতান্ত সৰুকালতে ৰাবেয়া মাতৃহীনা হয়। ইচ্মাইলক মাক বাপেক দুইৰো কাম কৰিব লগীয়াত পৰিছিল। লাহে লাহে ৰাবেয়া অলপ ডাঙৰ হলত ইচ্মাইলে দিনত মজুৰী কাম কৰিবলৈ যায়, ৰাবেয়াই অকলৈ ঘৰত ঘৰৰ কামবল কৰি সন্ধ্যাবেলিকা মৰু-ভূমিৰ ঝৰণাৰ পৰা অতি কষ্টে পিবৰ নিমিত্তে সেচা পাণী আনি বাপেকলৈ বাট চাই থাকে। এনেকৈ অলপ বয়সতেই ৰাবেয়া গম্ভীৰ, ধীৰ আৰু কামত পটু হৈ উঠিল।

সেই সময়ত ডকাইত বিলাকে গাঁওৰ চাৰিওফালে

২

ডকাইতি কৰি ফুৰিছিল। মাজে মাজে সিঁহতে একোখন গাঁও বেৰি ধৰি মুনিহ তিৰুতা যাকে পাইছিল ধৰি নি টকা লৈ চাকৰ চাকৰাণী (ক্রীতদাস, ক্রীতদাসী) ৰূপে বেচিছিল বা নিজৰ ঘৰতে বন্দীৰূপে ৰাখিছিল। ৰাবেয়াৰ বয়স যেতিয়া ১২৷১৩ বছৰ সেই সময়ত এই ডকাইত বোৰে অইন অইন মানুহৰ লগত ৰাবেয়াৰ বাপেককো ধৰি বন্দী কৰি লৈ গল। ৰাবেয়া সংসাৰত একেবাৰে অকলসৰীয়া হল। গাঁওৰ সকলো মানুহে পৰামৰ্শ কৰি স্থিৰ কৰিলে যে ৰাবেয়া একোদিন এজনৰ ঘৰত কাম কৰিব আৰু খাব, কিয়নো সকলো গৃহস্থই দুখীয়া, এনে সঙ্গতি কাৰো নাই যে ৰাবেয়াক প্ৰতিপালন কৰিব পাৰে। ৰাবেয়া দিনটো কাম কৰি গধূলী বেলিকা নিজৰ সৰু পজাটিত বিশ্ৰাম কৰিবলৈ আহিছিল, আৰু এজনী বুঢ়ী মানুহক সঙ্গী কৰি ৰাতি কটাই আকৌ ৰাতিপুৱা পৰিশ্ৰম কৰিবলৈ যায়। বেচেৰীয়ে বাপেকলৈ মনত পৰি কত ৰাতি চকুৰ পাণীৰে শোৱাপাটী তিয়াই কটাইছিল তাক কোনে জানে? এনে দুখেৰে ৰাবেয়াৰ দিন কাটিছিল। এবছৰৰ পাছত সন্ধ্যাৰ সময়ত এদিন ৰাবেয়া নিজৰ ঘৰৰ দুৱাৰ মুখত বহি নানা

চিন্তা কৰিছে এনে সময়ত এজন ক্ষীণ বুঢ়া মানুহ আহি কাতৰ স্বৰেৰে কলে "ৰাবেয়া মই ডকাইতৰ ঘৰৰ পৰা পলাই আহিছোঁ, পিয়াহত টেটু ফাটি যাবলৈ ধৰিছে, এটোপা পাণী দে।" ৰাবেয়াই চিনিলে তেওঁৰে পিতাক। তেওঁ ঘৰত নেথাকিছিল বুলি প্ৰায়ে পাণী নাৰাখিছিল। পিতাকে পাণী খোজামাত্ৰকে কলহ লৈ ঝৰণাৰ ওচৰলৈ লৰি গল। যাঁওতে আঁহোতে প্ৰায় আধা ঘণ্টা মান লাগিল আহি দেখে পিতাকৰ শৰীৰটোহে পড়ি আছে, প্ৰাণ-বায়ু উড়ি গৈছে। ৰাবেয়া হতবুদ্ধি হৈ পৰিল। যাক ইজনমত আৰু দেখা পাবৰ আশা কৰা নাই তাক দেখা পাইও এটোপা পাণীদি শুকান টেটু তিয়াব নোৱাৰিলে ; পিয়াহত তেওঁৰ প্ৰাণ উৰি গল। এই শোক ৰাবেয়াৰ পক্ষে অসহ্য হল। আজি ৰাবেয়াই নিজকে পিতৃহন্তা বুলি ভাবিলে। হায় হায় কিয় ৰাবেয়াই পাণী এটোপা ঘৰত ৰখা নাছিল !! পিতাকৰ মূৰটো কোলাত লৈ সেচা পাণীৰে মৃতদেহ আৰু ওঠ তিয়াবলৈ ধৰিলে। গাওঁৰ মানুহ বোৰে আহি মৃত-দেহ সৎকাৰ কৰিলে। ৰাবেয়াৰ নিমিত্তে সংসাৰত এটোপা চকুৰ পাণী পেলাবলৈকো কোনো নাথাকিল।

শোক দুখৰ মাজতো ৰাবেয়া লাহে লাহে যৌবনত উপস্থিত হল। তেওঁ দেখিবলৈ সুন্দৰী নাছিল বৰণ কৃষ্ণা আছিল, কুৎসিৎ বুলিলেও অত্যুক্তি নহয়। দুখীয়া আৰু কুৎসিৎ তিৰুতাক কোনোৱে বৰণ কৰি ঘৰলৈ বধূৰূপে নিনিয়ে। ৰাবেয়াইও তাক ভালকৈ জানিছিল, সেই দেখি তেওঁ পিতাকৰ কুটীৰতে থাকি পৰিশ্ৰম কৰি জীবন শেষ কৰিব স্থিৰ কৰি তাকে কৰি দিন কটাইছিল। কেই বছৰমান এনে দুখেৰে ৰাবেয়াৰ দিন কাটিল। এদিন আকৌ ডকাইতে গাঁও বেৰিলে। অইন অইন মানুহৰ ভিতৰত ৰাবেয়াও ধৰা পৰিল। সেই সময়ত দাসত্ব প্ৰথা আছিল। ৰাবেয়াক বচৰা নগৰৰ বজাৰলৈ নিয়া হল, তেওঁক এজন ধনীৰ নিমিত্তে দাসীৰূপে কিনা হল। ক্ৰীত দাস দাসী সকলৰ সেই সময়ত অতি কঠোৰৰূপে ব্যবহাৰ কৰা হৈছিল। ৰাবেয়াৰ ভাগ্যত অতি কদৰ্য্য আৰু পৰিশ্ৰমৰ কামবিলাক পৰিল। সেই সময়ত সেই দেশত আৰু এটা প্ৰথা আছিল যে ধনী বিলাকে প্ৰতি ৰাতি পণ্ডিত সকলক নিমন্ত্ৰণ কৰিছিল, সভা হৈছিল, নানা বিষয় তৰ্ক বিতৰ্ক হৈছিল, মদমাংসও চলিছিল, অতি কদৰ্য্য কাণ্ডবিলাক

অভিনীত হৈছিল। কত দাস দাসীৰ, প্ৰতি বছৰ এই বিষম পৰিশ্ৰম কৰি ৰাতি উজাগৰে থাকি জীৱন নষ্ট হৈছিল। ৰাবেয়াৰ সৰুৰে পৰা পৰিশ্ৰম কৰা অভ্যাস আছিল বুলি শৰীৰৰ একো ক্ষতি হোৱা নাছিল। এনে পৰিশ্ৰম আৰু পৰিচৰ্য্যা কৰি ৰাবেয়াৰ এই প্ৰভুৰ ঘৰত দিন কটাব লাগিছিল। এদিন ৰাতি প্ৰভুৰ ঘৰত মহাভোজ সভা আছিল। জ্যোতিষী, ডাক্তৰ বেজ প্ৰভৃতি বহুত ৰকম পণ্ডিত সকল আহিছে। নানা ৰকম তৰ্ক বিতৰ্ক কথাবাৰ্ত্তা চলি আছে। ৰাবেয়াৰ প্ৰভুএ মদৰ বোতল লৈ ঢালিছে, খাইছে, খুৱাইছে, ৰাবেয়াই নানাৰকম খাবৰ বস্তু মদৰ বোতল আনি পণ্ডিত সকলৰ সেৱা কৰিছে। হঠাৎ এজন পণ্ডিতে এটা যোৰা লগোৱা মঙ্গহৰ ঠেং হাতত লৈ তাৰপৰা মঙ্গহ একুৱাই কলে "কেনে সুন্দৰ যোৰা দিয়া ছোয়াঁচোন। তোমোলাকে, মানুহৰ শৰীৰতো এনে যোৰা দিয়ানে?" এজন ডাক্তৰে কলে "মানুহৰ শৰীৰতো এনে যোৰা আছে, কেৱল দ্বিপদ আৰু চতুষ্পাদৰ অহাযোৱাৰ গতিবিধিৰ নিগিত্তে যি বেলেগ বন্দোবস্ত আছে।" পূৰ্ব্বৰ পণ্ডিতে কলে "মানুহৰ ভৰিৰ সৈতে এই ঠেং ডোখৰ

মিলাই চাবৰ মন যায়।” এই কথাটো মদত মত্ত প্ৰভুৰ কাণলৈ গল। ঠিক যেই সময়তে ৰাবেয়াই খাবৰ বস্তু লৈ আহিল। ৰাবেয়াক দেখিয়েই মতলীয়া প্ৰভুয়ে কলে “ভাল কথা, এই দাসীৰ ভৰিখন কাটি চালেই হল। কোৱা মাত্ৰকে কেইজন মানে ৰাবেয়াক ধৰিলে আৰু ডাক্তৰজনে ছুৰী লৈ ভৰি কাটি হাড় বিলাক খণ্ড খণ্ড কৰি উলিয়ালে। ৰাবেয়াই বোবাৰ দৰে কথা এটী পৰ্য্যন্ত নকই সকলো নীৰৱে সহিলে। তাৰে ভিতৰত এজনে “ঈশ্বৰৰ কি বিচিত্ৰ লীলা” ভৰিৰ হাড় বিলাক দেখি কলে। “ঈশ্বৰ” এই নামটী প্ৰথম ৰাবেয়াৰ কাণলৈ সোমাল। এই অসহণীয় যন্ত্ৰণাৰ সময় “ঈশ্বৰ” নামটী ৰাবেয়াৰ বৰ মধুৰ লাগিল। ডাক্তৰে “ব্যাণ্ডেজ” বান্ধি দিলে, চাকৰে তেওঁক তেওঁৰ ঘৰত থৈ আহিল। ৰাবেয়া কৰ্ম্মিষ্ঠা, পৰিশ্ৰমী, প্ৰভুভক্ত ও নিৰ্ম্মল চৰিত্ৰৱতী আছিল কিন্তু ভগবানৰ প্ৰেমিক নাছিল। আজি এই অসহ্য যন্ত্ৰণাৰ সময়ত ঈশ্বৰৰ নামটোএ যেন তেওঁক পোহৰলৈ লৈ গল। সেই নাম তেওঁ মনৰ ভিতৰত আঁকি ললে, মুখেদি আপুনি ঈশ্বৰৰ স্তুতি ওলাল। ভগবানক ধন্যবাদ দিলে। এই যে ভগবৎ প্ৰেম

তেওঁৰ মনত ফুটি উঠিল লাহে লাহে সেইটো পূৰ্ণত্ব পালে। এগাহ মান ৰাবেয়াই বিছনাত শুই আছিল, নিশ্চিন্ত মনেৰে তেওঁ ভগবানক চিন্তা কৰিবৰ সময় পাই পৰম কৃতাৰ্থ হৈছিল। লাহে লাহে সুস্থ হৈ আকৌ মুনিবৰ কামত ভৰ্ত্তি হল। সংসাৰৰ কামত যদিচ ব্যস্ত থাকিছিল তথাপি মনত সদাই ঈশ্বৰৰ নাম জপি থাকিছিল। তেওঁ সদাই আনন্দ মনেৰে থাকিছিল, সকলো প্ৰকাৰ দুখকো ঈশ্বৰৰ প্ৰসাদ বুলি লৈছিল। এনে ভাবত দিন কাটিব লাগিল। এদিন ৰাতি প্ৰভুৰ নিমন্ত্ৰিত ভদ্ৰলোক সকলো নাহিল। দেশৰ প্ৰথা অনুসাৰে ঘৰৰ গৰাকীয়ে অতিথিএ নেখালে খাব নাপায়। ভোক পীয়াহত বিশেষ মদৰ নিমিত্তে ৰাবেয়াৰ মুনিবে বাহিৰ ভিতৰ কৰি ফুৰিবলৈ ধৰিলে। দাস দাসী বিলাকক তেওঁ বিদায় দি অকলৈ থাকিল। জীৱনত তেওঁৰ এয়েই সজ্ঞানত প্ৰথম জোনাক ৰাতি দৰশন। তেওঁ মুগ্ধ হৈ আকাশৰ ফাললৈ চাই থাকোতে থাকোতে এটী মধুৰ স্বৰ শুনিবলৈ পালে। শব্দ অনুসৰণ কৰি গৈ চাকৰ চাকৰাণীৰ ঘৰৰ পিনে ৰাবেয়াৰ ঘৰৰ ভিতৰৰ পৰা প্ৰাৰ্থনা শুনিবলৈ পালে। ৰাবেয়াই ভগৱানৰ ওচৰত প্ৰাৰ্থনা কৰিছে :—

প্ৰথমতে ঈশ্বৰক ধন্যবাদ দিলে তাৰ পিছত তেওঁৰ আশ্ৰয়দাতা মুনিবৰ মঙ্গল কামনা কৰি নিজৰ নিমিত্তে প্ৰাৰ্থনা কৰি বিছনাত শুলে। গৃহস্বামীৰ ৰাবেয়াৰ কাতৰ প্ৰাৰ্থনা শুনি মন উদাস হৈ গল, যাক তেওঁ ইমান নিৰ্য্যাতন কৰিছে সেই মানুহে আজি তেওঁৰ মঙ্গলাৰ্থে ভগবানৰ ওচৰত প্ৰাৰ্থনা কৰিছে। আৰু এদিন গৃহস্বামীৰ অনাহাৰত কাটিল। ঠিক সেই একে সময়ত ৰাতি তেওঁ গৈ শুনিলে ৰাবেয়াই প্ৰাৰ্থনা কৰিছে। তেওঁৰ মন একেবাৰে উদাস হল। পাছদিনা ৰাতি পুৱালত তেওঁ সকলো ক্ৰীতদাস ক্ৰীতদাসীক মুক্তি দিলে আৰু ৰাবেয়াক মাতি নি কলে "তোমাৰ ঈশ্বৰ প্ৰেম আৰু ভকতি দেখি মই বিভোৰ হৈছোঁ। তোমাৰ কৃপাত আজি মই পাপীয়ে ঈশ্বৰৰ মহিমা বুজ পালোঁ তুমি মোৰ গুৰু আজিৰ পৰা তুমি মুক্তি পালা তুমি যি খোজা মই তাকে তোমাক দি কৃতাৰ্থ মানিম।" ৰাবেয়াই অতি লাজ পালে; আৰু বিনয়েৰে কলে "প্ৰভু আশ্ৰয়হীনাক আশ্ৰয় দিছে ইয়াতকৈ আৰু বেছি কি হব পাৰে এতিয়াও মোক খেদাই নিদিব, আশ্ৰয় দি ৰাখক, আপোনাক সেৱা কৰিবৰ অধিকাৰ দিয়ক।" সেই দিনৰ পৰা

তেওঁ ৰাবেয়াক ক্ৰীতদাসীৰ পৰা মুক্তি কৰি দিলে আৰু স্বাধীন ভাবে থাকিবৰ নিমিত্তে বচোৰাত এটা ঘৰ কৰি দিলে। ৰাবেয়াই প্ৰাৰ্থনা কৰি পৰোপকাৰ আৰু পৰসেৱাত দিন কটাইছিল। তেওঁ পিপাসু পিতাকক এটোপা পাণী দি শেষ সময়ত পিয়াহ পলুৱাব পৰা নাই, সেই কষ্টটো কেতিয়াও পাহৰা নাছিল, সেই নিমিত্তে বোগদাদৰ পৰা মদিনা পৰ্য্যন্ত পিপাসু বাটকুৱাৰ নিমিত্তে এটা খাল কাটি দিছিল। হিজৰী ১৮৫ (৮০১ খৃঃ) ৰাবেয়া পৰলোকলৈ গমন কৰে। তেওঁ ওৰেৰাতি প্ৰাৰ্থনা কৰিয়েই কটাইছিল। অপলমান পৰ মাত্ৰ শুই· ছিল। তেওঁৰ উপদেশ আছিল "নিঃস্বাৰ্থ আৰু নিৰ্লোভী হৈ ভগৱানক প্ৰাৰ্থনা কৰিবা। পাপ কাম কৰি যেনেকৈ মানুহে লুকায় তেনেকৈ পৰোপকাৰ আৰু সৎকাম কৰি লুকোৱা উচিত।" আৰব দেশৰ জেৰুজালাম চহৰৰ এটা পৰ্ব্বতৰ ওপৰত তেওঁৰ কবৰ আজি পৰ্য্যন্ত বৰ্ত্তমান আছে। মুছলমানৰ ভিতৰত সেই ঠাই তীৰ্থ স্থান হৈছে প্ৰতি বছৰ বহুতো ভক্ত মুসলমান তালৈ যায় আৰু ৰাবেয়াই সেই ভক্ত সকলৰ পূজা পায়। যিমান দিন পৃথিবী

থাকিব তিমান দিন এই মুছলমানী তিৰুতা পূজনীয়া আৰু চিৰস্মৰণীয়া হৈ থাকিব।

---

## মেৰী কাৰ্পেণ্টাৰ।

১৮০৭ খ্ৰীষ্টাব্দত মেৰী কাৰপেণ্টাৰৰ জনম হয়। এওঁৰ পিতৃদেৱ অতি দয়ালু, ধাৰ্ম্মিক পণ্ডিত আৰু উদাৰ স্বভাৱৰ মানুহ আছিল। পিতাকৰ কিছু কিছু গুণ এওঁ পাইছিল। মেৰীৰ যেতিয়া দহ বছৰ বয়স তেতিয়া তেওঁৰ পিতাকে বিলাতত ব্ৰিষ্টল নামেৰে এখন চহৰৰ ভিতৰত বাৰজন লৰা লৈ এটী স্কুল পাতে। মেৰী এই স্কুলতে সেই লৰাকেটীৰ লগতে বাপেকৰ ওচৰত পঢ়িছিল আৰু অলপ দিনৰ ভিতৰতে লাটীন, গ্ৰীক প্ৰভৃতি ইউৰোপৰ পুৰণা ভাষা সকলো শিকিছিল। সৰুৰে পৰা মেৰী পৰৰ দুখত কাতৰ আছিল। পৰক সাহায্য কৰি অলপো দুখ কমাব পাৰিলে নিজক সুখী ভাবিছিল আৰু তাৰ নিমিত্তে চেষ্টাও কৰিছিল।

বাল্যকালত সুকুমাৰমতি লৰা ছোৱালীবিলাকে

ভাবে যে তেওঁলোকে পৃথিবীত চিৰদিন হাঁহি খেমালী কৰি কটাব কিন্তু এদিন আহে যেতিয়া সংসাৰৰ ভাবনা আহি তেওঁলোকৰ মন অধিকাৰ কৰে। সৰু লৰাও যেতিয়া অভিভাবক বিহীন হৈ পৰে তাৰ সৰু মুৰটীয়েও নানা কথা ভাবিব লগাত পৰে। মেৰী যেতিয়া ১৭ বছৰৰ হল, তেতিয়া তেওঁ বুজিলে যে তেওঁৰ পিতাকৰ অতিশয় পৰিশ্ৰম হৈছে। তেওঁ পাচুৰী আছিল। পাচুৰীৰ কাম, স্কুলৰ কাম তেওঁৰ বৃদ্ধ বয়সৰ পক্ষে সহ্য নহব। বুদ্ধিমতী মেৰিয়ে বুজিলে তেওঁৰ এতিয়া জীবনৰ প্ৰধান কাম পিতাকক সাহায্য কৰা, তেওঁৰ পৰিশ্ৰম লাঘব কৰা, এই ভাবি মেৰীয়ে নিজৰ জীবন বাপেকৰ সাহায্যাৰ্থ উৎসৰ্গ কৰিলে। বৃদ্ধ বয়সৰ গতিকে মেৰীৰ পিতৃদেৱে স্কুল ৰাখিবৰ সামৰ্থ্য নহল কিন্তু মেৰীৰ হতুৱাই ছোৱালী বিলাকৰ নিমিত্তে এটি স্কুল খুলিলে। এই স্কুলত,মেৰীৰ মাতৃদেবী আৰু ভণীয়েকেও পঢ়াইছিল। কেবল দিনত কেই ঘণ্টামান পঢ়ায়েই তেওঁ নিশ্চিন্ত নেথাকিছিল। দেও বাৰে বাৰে তেওঁ ছোৱালী বিলাকক ধৰ্ম্ম উপদেশ দিছিল; পাৰিবাৰিক নানা ৰকম কাম শিকাইছিল; ছোৱালী বিলাকৰ লগত

তেওঁ বিলাকৰ ঘৰলৈ গৈ মাক বাপেকৰ লগত আলা-পাদি কৰি ধৰ্ম্ম বিষয়ে নানা গপ্ পাতিছিল। এই স্কুলৰ কাম কৰোতে কৰোঁতে তেওঁৰ দৃষ্টি দৰিদ্ৰ অসহায় মানুহ বিলাকৰ ওপৰত পৰিল। কুপথগামী মানুহ-বিলাকৰ শোচনীয় অবস্থা দেখি তেওঁ আন্তৰিক কষ্ট পাইছিল আৰু চকুৰ পাণী সামৰিব নোৱাৰিছিল। মেৰীৰ মনত খেলালে, এই অসহায় আৰু কুপথগামী-হঁতক উন্নতিৰ পথলৈ অনা বিশেষ কৰ্ত্তব্য কাম। যেতিয়া তেওঁৰ মনৰ অৱস্থা এনে তেতিয়া দুজন উদাৰ আৰু উচ্চমনা মানুহৰ লগত তেওঁৰ চিনাকী হয়। তাকে এমন আমাৰ ভাৰতবাসী—ৰাজা ৰামমোহন ৰায়। ৰামমোহন ৰায়ে ভাৰতীয় তিৰুতাৰ দুৰৱস্থাৰ কথা বৰ্ণনা কৰি তেওঁবিলাকৰ হিতাৰ্থে সাহায্য কৰিবৰ নিমিত্তে বিশেষ অনুৰোধ কৰে। সেই সময়ত আমাৰ তিৰুতা সকলৰ বৰ দুৰৱস্থা আছিল। তিৰুতাক লেখা পঢ়া শিকোৱা পাপৰ কাম আছিল, এতিয়াৰ দৰে স্কুল প্ৰভৃতি নাছিল, মেৰী কাৰপেণ্টাৰ তেতিয়া নানা কামত জড়িত আছিল বুলি ভাৰতবৰ্ষলৈ অহাটো সম্ভৱ নাছিল, কিন্তু তেওঁৰ মনৰ এচুকত এই কথাটো

লুকুৱা থাকিল। অইনজন উদাৰ মহাত্মা—এজন আমেৰিকা দেশৰ, নাম জোসেফ টাকাৰম্যান। টাকাৰম্যান চাহাবে তেঁওৰ দেশত পঁচিশ বছৰ কুপথগামী দৰিদ্ৰ মানুহ বিলাকৰ ভিতৰত সিহঁতৰ উন্নতিৰ নিমিত্তে চেষ্টা কৰিছিল। তেঁও ব্ৰিষ্টল নগৰৰ চাৰিওফালে ঘুৰি ঘুৰি দুশ্চৰিত্ৰ দৰিদ্ৰ বিলাকৰ দুৰৱস্থা সকলো দেখুৱালে। মেৰীয়ে এই কামত নিজৰ জীবন উৎসৰ্গ কৰি কেজনমান উচ্চমনা বন্ধুৰ সৈতে পৰামৰ্শ কৰি এটা সমিতি স্থাপন কৰিলে। এই সমিতিৰ কাম—দৰিদ্ৰ বিলাকৰ ঘৰে ঘৰে ফুৰি সিহঁতৰ প্ৰকৃত অৱস্থা দেখি আৰু বুজি আৱশ্যক মতে সাহায্য কৰা।

ব্ৰিষ্টল এই সময়ত সকলো বিষয়তে অতি হীন আছিল। অপৰিষ্কাৰ জঘন্য বাট আৰু গলিৰ ভিতৰত সোমাই দুৰ্গন্ধময় ঘৰ বিলাকলৈ মেৰী যাব লগীয়াত পৰিছিল। তেঁও নিজলৈ ভ্ৰুক্ষেপই নকৰিছিল। কেৱল যে এই কামতেই তেঁওৰ সকলো সময় কাটিছিল এনে নহয়—তেঁওৰ স্কুলৰ কাম আছিল—তেঁওৰ বৃদ্ধ পিতামাতাক সাহায্য কৰা, তেঁও বিলাকক পৰিচৰ্য্যা কৰা আছিল। নিজৰ পঢ়াশুনাও অল্প কৰিব লাগিছিল।

১৮৪০ অব্দত মেৰীৰ পিতাকৰ মৃত্যু হল। এই শোকত তেঁও বৰ কাতৰ হৈ পৰিল মেৰীৰ সকলো কামতে এই মহাত্মাই হাঁহিমুখেৰে উৎসাহ আৰু উপদেশ দিছিল। দোষ পালে দেখুৱাইছিল। এনে হেন পিতাক হেৰুৱাই মেৰী হতাশ আৰু কাতৰ হৈ পৰিল। জগতত যি শোক দিয়ে তেঁৱেই আকৌ সান্ত্বনাও দিয়ে। মেৰীয়ে কিছুদিনৰ পাছত বুজিলে যে শোকত কাতৰ হৈ থাকিলে আৰু নচলে—সংসাৰত বহুত কাম কৰিব লগীয়া তেঁওৰ আছে। বল আৰু উৎসাহেৰে মনক সজাগ কৰি আকৌ মেৰী নিজৰ কামত লাগিল। মেৰীৰ পিতাকৰ স্বৰ্গাৰোহণৰ অলপ-দিনৰ পাছতে টাকাৰম্যান চাহাবৰো মৃত্যু হল। মেৰীৰ এওঁৰ ওপৰত বিশেষ শ্ৰদ্ধা আৰু ভক্তি আছিল। ওপৰাউপৰি দুইটী শোক পাই মেৰীয়ে মৰ্ম্মাহত হল, তথাপি সেই শোকক দমন কৰি নিজৰ কামত মন দিবলৈ ধৰিলে। নিয়মগতে স্কুললৈ যাবলৈ ধৰিলে। দৰিদ্ৰ বিলাকৰ ঘৰলৈ গৈ তেঁওবিলাকৰ যিমান দূৰ পাৰে সাহায্য কৰিছিল। ছাত্ৰ ছাত্ৰী বিলাকৰ পঢ়িবৰ উৎসাহ বঢ়াবৰ নিমিত্তে আৰু পৃথিবীৰ বস্তুবিলাকৰ বিষয়ে জানিবৰ নিমিত্তে ইচ্ছুক হবৰ নিমিত্তে গছ,

পাথৰ, যন্ত্ৰ প্ৰভৃতি নানাৰকম বস্তু দেখুৱাবলৈ আৰু বুজাবলৈ ধৰিলে।

মেৰীয়ে দেখিলে যে তেঁওৰ নীতিবিদ্যালয়ত ( Sunday school ) যি বিলাক লৰছোৱালী পঢ়িবলৈ আহে তাৰ ভিতৰত বহুতৰে অৱস্থা বৰ বেয়া; থাকিবৰ ঠাই নাই, মানুহৰ বাৰাণ্ডাত শুই ৰাতি কটায় আৰু পেটৰ নিমিত্তে চুৰ কৰি থাকে আৰু মাজে মাজে জেললৈকো যায়। এই অনাথ লৰা বিলাকক যতন কৰি ৰাখিলে আৰু পঢ়ুৱালে প্ৰকৃত মানুহ হব পাৰে, কেৱল সাধাৰণ মানুহৰ অলপ চেষ্টা আৰু অবহেলাৰ নিমিত্তে ইহঁতৰ জীবন বিফল হবলৈ ধৰিছে। সেই নিমিত্তে মেৰীয়ে অইন অইন সাধু মহাত্মা কেজনৰে সৈতে পৰামৰ্শ কৰি এই দুশ্চৰিত্ৰ লৰাবিলাকৰ নিমিত্তে এটা 'সংশোধনী" স্কুল ( Reformatory school ) কৰিবৰ স্থিৰ কৰিলে। ১৮৪৬ খৃষ্টাব্দত মেৰীয়ে দুশ্চৰিত্ৰ আৰু মুক্তি প্ৰাপ্ত কয়েদীবিলাক থকা ঠাইত এটী স্কুল খুলিলে। এনে ঠাইত স্কুল খুলিবৰ উদ্দেশ্য এই যে সেই ঠাইৰ দুশ্চৰিত্ৰ লৰাবিলাকৰ মন অবাধে আকৰ্ষণ কৰিব বুলি। তেঁওৰ

সেই মহৎ উদ্দেশ্য সফল হৈছিল। প্ৰথমদিন কুৰিটি লৰা আহি ভৰ্ত্তি হয় সেই দিনাই আবেলি আৰ বহুত লৰা আহিছিল। ইঁহতৰ অৱস্থা ইমান শোচনীয় যে ভৰিত জোতাতো নাছিলেই গাত চোলা পৰ্য্যন্ত নাই, শুবৰ ঠাই নাই যতে পায় ততে শুই ৰাতি কটায়। স্কুলৰ মহৎ উদ্দেশ্য জানি বহুত ভদ্ৰলোকে অৰ্থ সাহায্য কৰিবলৈ ধৰিলে ও আৰু পঢ়াবৰ নিমিত্তে মাষ্টৰ নিযুক্ত হল। ক্ৰমে ক্ৰমে লৰাৰ সংখ্যা বেশী হবলৈ ধৰিলে। উৎসাহিত হৈ মেৰীয়ে তাৰ লগতে এটা "নৈশবিদ্যালয়" খুলিলে। দলে দলে হীনচৰিত্ৰৰ যুবক যুবতী বিলাক সেই বিদ্যালয়ত ভৰ্ত্তি হবলৈ ধৰিলে। এই দুশ্চৰিত্ৰ যুবক যুবতী বিলাকক শান্ত ৰাখিবৰ নিমিত্তে মৰীয়ে মাজে মাজে বিপদত পৰিছিল, তথাপি তেঁও অটল ধৈৰ্য্যৰে সকলো কাম সুন্দৰ মতে কৰিছিল। স্কুলৰ উন্নতিৰ লগে লগে স্কুলৰ ঘৰ বঢ়াব লাগিল। সকলো সদনুষ্ঠানতে মেৰী উৎসাহেৰে যোগ দিছিল। স্কুলত পঢ়াবৰ সময়ত তেঁওৰ নীতি সম্বন্ধে শিক্ষা দিবৰ নিমিত্তে সদাই চকু আছিল।

বাইবেল পঢ়ি সদাই সিহঁতক ধৰ্ম্মোপদেশ দিছিল

আৰু বুজাইছিল। মেৰী আৰু তেঁওৰ বন্ধু বিলাকে দেখিলে যে যদিও স্কুলৰ বহুতো উপকাৰ হৈছে তথাপি তেওঁবিলাকৰ আশানুৰূপ কাম হোৱা নাই। স্কুলত কেই ঘণ্টামান মাত্র লৰাবিলাক থাকে, আইন সময়ত সিহঁতে নানা কুপথলৈ আৰু নানা বেয়া ঠাইলৈ যাব পাৰে, এই ভাবি তেঁওবিলাকে ঠিক কৰিলে যে সিহঁতক লৈ যদি এখন পৰিয়ালৰ নিচিনাকৈ ৰখা যায় তেনেহলে তেঁওলোকৰ উদ্দেশ্য আৰো সফল হয়। এই স্থিৰ কৰি ব্রিষ্টল নগৰৰ চাৰি মাইল দূৰৈত নির্জ্জন ঠাই এডুখৰি বিচাৰি তাতে এটী ঘৰ কেৰেয়া কৰি বোর্ডিং স্কুল এখন পাতিলে। ভগবান সাধু ইচ্ছাৰ সহায়। সকলো কামেই ভাল মতে হবলৈ ধৰিলে। মেৰী প্রতিদিন Ragged schoolৰ কাম কৰি। চাৰি মাইল খোজ কাঢ়ি। এই স্কুললৈ আহি কাম কৰিছিল। এই দুৰ্দ্দান্ত জেইল খটা লৰা বিলাকক মেৰীয়ে মৰমৰ দ্বাৰাই বশ কৰিবলৈ ধৰিলে। গাকৰ নিচিনা সিহঁতেও মেৰীক মৰম আৰু ভক্তি কৰিবলৈ ধৰিলে। তাৰ ভিতৰতো কিছুমান লৰা আৰু ছোৱালীএ তেওঁক বৰ আহুকাল দিছিল সিহঁত স্কুলৰপৰা পলায় আৰু নানা-

৩

ৰকম অত্যাচাৰ কৰিছিল। মেৰীয়ে অশেষ ধৈৰ্য্য ধৰি চেনেহৰ চকুৰে আৰু বুজাই-বৰাই সিহঁতক সজ বাটলৈ ওভোতাই আনিছিল। কৰ্কশ ব্যবহাৰ আৰু মাৰি ধৰি সিহঁতক সৎপথলৈ অনাটো তেওঁ ঘৃণা কৰিছিল। তেওঁ পাছত যেতিয়া দেখিলে যে লৰা ছোৱালী একেলগে ৰখা সঙ্গত নহয়, তেতিয়া অইন এটী ঘৰ কেৰেয়া কৰি ছোৱালী বিলাকক তালৈ নিলে। ইয়াৰ কিছুদিনৰ পাছতে মেৰীৰ মাতৃদেবীৰ কাল হয়। মাকৰ মৃত্যুৰ পাছত তেঁওৰ আৰু সংসাৰৰ বন্ধন এজনী ভনীয়েক বিনা কোনো নাছিল। অলপ দিনৰ পাছত তেঁও নিজৰ ঘৰ এৰি স্কুলৰ ওচৰত এটী ঘৰত থাকিবলৈ ধৰিলে। ছোৱালী বিলাকে মেৰীৰ ওচৰত থাকিবলৈ ভাল পাইছিল। তেঁও সিহঁতৰ মৰম আকৰ্ষণ ও উৎসাহি কৰিবৰ নিমিত্তে জনালে যে যিবিলাক ছোৱালীয়ে ভাল ব্যবহাৰ কৰিব সেই বিলাকক তেঁও নিজৰ ঘৰলৈ আনিব। ইয়াত সকলোৰে উৎসাহ বঢ়ি গল আৰু সকলোৱেই মেৰীৰ-মৰম পাবৰ নিমিত্তে ভাল হবলৈ ধৰিলে। যিবিলাক লৰা ছোৱালী সাধাৰণ কয়েদী সন্তান বিলাকতকৈ উচ্চশ্ৰেণীৰ,

যাতে সেই বিলাক লৰা ছোৱালী বেয়া বাটলৈ নাযায়, সেই উদ্দেশ্যেৰে মেৰী কাৰপেণ্টাৰে (Industrial school) স্থাপন কৰিলে। এই স্কুলত লৰা ছোৱালীবিলাকে ভদ্ৰভাবে উপাৰ্জ্জন কৰি কোনোৰকম কৰি জীৱিকা নিৰ্ব্বাহ কৰিব পাৰে তাকে শিক্ষা দিয়া হব এই স্থিৰ হল। অলপ দিন শিকিলেই উপাৰ্জ্জন কৰিবৰ ক্ষমতা হৈছিল। প্ৰথমতে লেখিছোঁ যে মেৰীৰ দুইজন উচ্চমনা ভদ্ৰলোকৰ সৈতে চিনাকী হয় আমেৰিকাৰ টাকাৰম্যানই প্ৰথম তেঁওক অনাথ লৰাছোৱালী বিলাকৰ উন্নতি সাধন কৰা দেশৰ মানুহে প্ৰাণপণ কৰি কৰা উচিৎ দেখুৱাই দিয়ে আৰু সেই আদৰ্শেৰেই মেৰীয়ে ইমানদিন অনাথ ছোৱালী লৰাবিলাকৰ উন্নতিৰ নিমিত্তে নানা উপায় কৰে। তেঁওৰ দ্বিতীয় বন্ধু আমাৰ ভাৰতবৰ্ষীয়—ৰাজা ৰামমোহন ৰায়—তেঁও যে আমাৰ দেশৰ তিৰুতাৰ শিক্ষাৰ দুৰবস্থাৰ কথা কৈছিল, সেইটো মেৰীয়ে পাহৰা নাছিল। নিজৰ দেশৰ কাম কৰি তেঁও বুঢ়া হৈছিল, বাকী জীৱন বহি আৰামাৰে কটাব পাৰিলেহেঁতেন কিন্তু মেৰী সেই

প্ৰকৃতিৰ মানুহ নাছিল, যিভাব তেঁও মনৰ এচুকত ইমানদিন লুকায় ৰাখিছিল, তাৰ চেষ্টা কৰিবৰ নিমিত্তে তেওঁ ভাৰতবৰ্ষলৈ ৰওনা হল। এই সময় আমাৰ দেশৰ তিৰুতাৰ অবস্থা অতি শোচনীয় আছিল। প্ৰাচীন কালত ভাৰত-বৰ্ষীয় তিৰুতাই নানা বিদ্যাচৰ্চ্চা কৰিছিল, তাৰ প্ৰমাণ খনা লীলাবতী বহুতো আছে। লাহে লাহে তিৰুতা ঘৰৰ ভিতৰত আবদ্ধ হল, জ্ঞানালোচনাৰ পৰা বহুত দূৰত পৰিল। মেৰী কাৰপেণ্টাৰ যেতিয়া আছিল তেতিয়া স্কুল প্ৰভৃতি নাই, কোনো কোনো ঘৰত অলপমান মাত্ৰ কোনোবাই কোনোবাই পঢ়িব পাৰিছিল। ইংলণ্ডত মুনিহ তিৰুতা দুইৰো শিক্ষাৰ বাট একেৰকম, দুইৰো সমান অধিকাৰ। যেতিয়া ইংৰাজ সকলে আমাৰ দেশ জয় কৰিলে তেতিয়া তেওঁবিলাকে দেখিলে যে ভাৰতবাসীৰ নৈতিক আৰু মানসিক উন্নতিৰ একমাত্ৰ উপায় জ্ঞান আৰু বিদ্যা শিক্ষা, সেই দেখি প্ৰথমৰ পৰাই তেঁও-বিলাকে দেশত শিক্ষা বিস্তাৰৰ সঙ্কল্প কৰি নানা স্কুল কলেজ প্ৰভৃতি কৰিলে আৰু নানাৰকম সামাজিক কুসংস্কাৰ যাতে দূৰ হয় তাৰ নিমিত্তে চেষ্টা কৰিবলৈ

ধৰিলে। তিৰুতাৰ শিক্ষাও নিতান্ত দৰকাৰ দেখি পাছত লাহে লাহে সেই নিমিত্তেও উদ্যোগী হল। এই স্ত্ৰীশিক্ষা বিস্তাৰ কৰিবৰ নিমিত্তে এওঁবিলাকে বহুত কষ্ট আৰু পৰিশ্ৰম কৰিব লগীয়াত পৰিছিল। পূৰ্ব্বে আমাৰ দেশত মুনিহ মানুহেই স্ত্ৰীশিক্ষা সন্দেহৰ চকুৰে দেখিছিল, গবৰ্ণমেণ্টে নানা উপায়ে এই স্ত্ৰীশিক্ষা বিস্তাৰ কৰে, যাৰ সুফল আমি আজি দেখিবলৈ পাইছোঁ। যি বিলাকৰ অশেষ চেষ্টা আৰু পৰিশ্ৰমত ভাৰত, বিশেষ বঙ্গদেশ উপকৃত হৈছে বুলি ধৰা হয় মেৰীকাৰপেণ্টাৰ তাৰ ভিতৰত এজন। তেঁও চাৰিবাৰ ভাৰতবৰ্ষলৈ আহে। ভাৰতৰ তিৰুতাৰ অবস্থা জানিবৰ নিমিত্তে তেওঁ ডাঙ্গৰ সৰু সকলোৰে ঘৰৰ অন্দৰ মহললৈ গৈ নিজৰ মানুহৰ দৰে তিৰুতা সকলৰ লগত মিলিছিল, কত উপদেশ আৰু নানা দেশৰ ভাল ভাল তিৰুতাৰ বিষয়ে কৈছিল, তিৰুতাৰ দ্বাৰাইও দেশৰ কিমান কাম হব পাৰে তাক কৈ মনক উত্তেজিত কৰিছিল। বালিকা বিদ্যালয় স্থাপনাদিৰ নিমিত্তে তেওঁ উৎসাহী আছিল; স্কুললৈ ছোৱালী বিলাকক পঠাবৰ নিমিত্তে মাক বাপেকক উৎসাহ দিছিল। এবাৰ তেওঁ ভাৰতবৰ্ষত যেতিয়া

আছিল, কেমাহমানৰ নিমিত্তে স্কুলৰ পৰিদৰ্শিকা (Superintendant) হৈ আছিল। কিয়নো তেওঁ বুজিছিল যে তিৰুতা মানুহৰ স্কুলত তিৰুতাই পৰিদৰ্শিকাৰ ভাৰ লোৱা উচিৎ। কিয়নো যি বিলাক তিৰুতা ঘৰৰ এচুকত পৰি থাকে সেই বিলাক তিৰুতাই মুনিহ মানুহৰ ওচৰত পঢ়িবলৈ লাজ কৰিবই কৰিব।

বাল্যবিবাহ হিন্দুসমাজত যাতে নহয় তাৰ নিমিত্তে তেওঁ বহুত চেষ্টা কৰিছিল আৰু তাৰ কিমান অপকাৰ তাক সুন্দৰৰূপে বুজাই দিছিল। হিন্দু বিধৱাৰ সমাজত বহুত নিৰ্য্যাতন, বিশেষ সেই সময়ত আৰু বেশী আছিল; যাতে তেওঁ বিলাকৰ কষ্ট লাঘৱ হয় তাৰ্ নিমিত্তেও তেওঁ চেষ্টা কৰিবলৈ পাহৰা নাছিল, সীয়া প্ৰভৃতি কৰি যাতে তেওঁ বিলাকে সময় কটাব পাৰে তাৰ নিমিত্তে যতন কৰিছিল। বিধবা বিবাহ পালন কৰিবলৈকো চেষ্টা কৰিছিল। তেওঁ আৰু দেখিলে যে বহুতো তিৰুতা চিকিৎসাৰ অভাৱত মৰে মুনিহ মানুহৰ দ্বাৰাই তিৰুতাই চিকিৎসা কৰাব নোখোজে আৰু লাজও পায়, সেই দেখি যাতে তিৰুতাইও ডাক্তৰী শিকিব পাৰে, ভাৰতৰ তিৰুতাৰ উন্নতিৰ নিমিত্তে তেওঁ যি যি কৰিছিল এইটীও

তাৰু ভিতৰত এটী প্ৰধান কাম। ইংৰাজ গভৰ্ণমেণ্ট সহায় আছিল বুলি তেঁওৰ উদ্দেশ্য সকল হবৰ বৰ সুবিধা হৈছিল। ভাৰতবৰ্ষৰ কি মুনিহ কি তিৰুতা আটায়ে তেওঁৰ বৃদ্ধাবস্থাতো এনেকামৰ শৃঙ্খলা ও মনৰ উচ্চতা দেখি আচৰিত হৈছিল। ভাৰতবৰ্ষীয় তিৰুতাই চিৰকাল তেঁওৰ ওছৰত কৃতজ্ঞতাপাশত আবদ্ধ হৈ থাকিব। এতিয়ালৈকে বহুত তিৰুতা জীবিতা আছে যে বিলাক তেঁওৰ সৌম্যমূৰ্ত্তি দেখিছে। মেৰী কাৰ্পেণ্টাৰে তিৰুতাৰ উন্নতিৰ নিমিত্তে বি চেষ্টা কৰিছিল তাৰ সুফল আমি আজি দেখিবলৈ পাইছোঁ। তেতিয়া স্ত্ৰীশিক্ষাৰ প্ৰথম যুগমাত্ৰ—তেঁওৰ জীবিতাবস্থাতে তেঁওৰ কাম সকলোৰ সুফল সুলক্ষণ তেঁও চাই যাব পাৰিছিল। প্ৰথমবাৰ ভাৰতবৰ্ষলৈ তাহাৰ দহ বছৰ পাছত যেতিয়া চতুৰ্থবাৰ আহিছিল, তেতিয়াই তেওঁ স্ত্ৰী শিক্ষাৰ বহুত উন্নতি দেখি আনন্দেৰে কৈছিল "এই যে স্ত্ৰী শিক্ষা দৃঢ়ীভূত হৈছে এতিয়া লাহে লাহে বাঢ়িব, ইয়াৰ উন্নতি বন্ধ কৰিবৰ আৰু কাৰো সাধ্য নাই"। ভাৰতবৰ্ষৰ পৰা যাবৰ সময়ত তেঁও হিন্দু লৰা দুটীক শিক্ষা দিবৰ নিমিত্তে লৈ গৈছিল।

তেঁওৰ শেষ জীবন-সুখেৰে নগল। চতুৰ্থবাৰ ভাৰতবৰ্ষলৈ আহিবৰ কিছু পূৰ্ব্বতে তেঁওৰ সৰুৰ লগৰীয়া স্নেহৰ ভনীয়েকক তেঁও হেৰুৱায়; আকৌ ভাৰতবৰ্ষৰ পৰা উভতি ইংলণ্ডলৈ যাবৰ কিছুদিনৰ পাছতে সৰু ভায়েকটীৰ মৃত্যু সংবাদ পায়। বুঢ়া কালত ৰুগ্ন শৰীৰত এই শোকৰ আঘাৎ তেঁও সহিব নোৱাৰিলে। ইয়াৰ অলপদিনৰ পাছতে তেওঁ চিৰ-দিনৰ নিমিত্তে ভগবানৰ চৰণত শান্তিৰে বিশ্ৰাম লভিলে।

মেৰী কাৰপেণ্টাৰ যেতিয়া সৰু আছিল তেতিয়া তেওঁ মাকক কৈছিল "মোক কাম কৰিবলৈ দিয়া, মই অইনৰ কাম কৰি ভাল পাওঁ।" সৰুকালত মনত যি ভাব হৈছিল তেঁওৰ জীৱনত সেইটোৱেই পূৰ্ণত্ব প্ৰাপ্ত হৈছিল। তেঁও অইনৰ কামত, জগতৰ কামত জীবন উৎসৰ্গ কৰিছিল। তেঁওৰ জীৱনটোৱেই কেৱল কামৰ ইতিহাস। তেঁওৰ কামৰ সুফলৰ সাক্ষী কি বিলাত কি ভাৰতবৰ্ষ দুই ঠাইতে বৰ্ত্তমান। মেৰী কাৰপেণ্টাৰৰ নাম সকলোৱে শ্ৰদ্ধাৰ সৈতে উচ্চাৰণ কৰে। মেৰী কাৰপেণ্টাৰৰ নিচিনা নিঃস্বাৰ্থ ভাবে এই পৃথিবীত কাম কৰা মানুহ অলপ দেখা

যায়। পৰৰ নিমিত্তে জীৱন উৎসৰ্গ কৰি কেনেকৈ কাম কৰিব লাগে তাকে এই ইংৰাজ তিৰুতাই আমাক শিক্ষা দি গৈছে।

---

# এলিজাবেথ ফ্ৰাই।

## Elizabeth Fry.

পৰৰ দুখত কাতৰ হৈ দুখ দূৰ কৰা মানুহৰ এটী বিশেষ গুণ। পৃথিবীত যে কেবল টকাৰেই অইনক সাহায্য কৰিব পাৰি এনেও নহয়, আৰু সকলোৰে টকা দি সাহায্য কৰিবৰ ক্ষমতাও প্ৰায় নেথাকে। পুত্ৰ শোকাতুৰা তিৰুতাৰ টকাৰে সান্ত্বনা দিব পাৰনে। অনেক সময় টকাৰে যি কৰিব নোৱাৰি মনৰ সহানুভূতিৰে তাক কৰিব পাৰি। আজি যি ইংৰাজ তিৰুতাৰ কথা লেখিব খুজিছোঁ এওঁৰ নাম ইংৰাজ মণ্ডলীত অতি শ্ৰদ্ধাৰে সৈতে উচ্চাৰণ হৈ থাকে। মেৰী কাৰপেণ্টাৰৰ দৰে এওঁৰো মন পৰৰ নিমিত্তে কান্দিছিল। ইংৰাজীত এটী কথা আছে "পাপক ঘিণাবা কিন্তু পাপীক ঘিণ

নকৰিবা।" এইটোৰেই এই তিৰুতাৰ মূলমন্ত্ৰ আছিল। দুখীয়া ঘৰৰ ঘৈণী হৈও সংসাৰত কিমান কাম কৰিব পাৰি এওঁ তাৰে দৃষ্টান্ত থৈ গৈছে। দণ্ড পোৱা কয়েদী বিলাকৰ দুৰ্দ্দশা দেখি তেঁওৰ প্ৰাণে কান্দিছিল। তেঁওৰ জীৱনৰ শেষ চল্লিশ বৎসৰ এই কয়েদী বিলাকৰ উন্নতিৰ নিমিত্তে তেঁও কটাইছিল। এলিজাবেথৰ মাকৰ বৰ কোমল স্বভাৱ আছিল এওঁও সেই স্বভাবকে পাইছিল। সৰুতে আন্ধাৰ ঘৰৰ ভিতৰলৈ যাবলৈ এঁও ভয় পাইছিল। এই ছোৱালীটীয়েই পাছত কৰ্ম্মিষ্ঠা, আত্মনিৰ্ভৰশীলা, নিৰ্ভীকা তিৰুতা হৈছিল। বাৰ বছৰ বয়সৰ সময় তেঁওৰ মাতৃদেবীৰ মৃত্যু হয়, মাকক হেৰুৱাই তেওঁ বৰ কাতৰ হৈ পৰিছিল। এই সময়ত ইংলণ্ডত (Quaker) কুয়েকাৰ নামেৰে এদল মানুহ আছিল। এওঁ বিলাক খৃষ্টানধৰ্ম্মাবলম্বীহঁতত কৈ অলপ বিভিন্ন প্ৰকাৰৰ। এওঁ বিলাকে পৰোপকাৰেই মানুহৰ প্ৰধান কৰ্ত্তব্য কাম বুলি ভাবিছিল তেওঁ বিলাকৰ সম্প্ৰদায়ৰ নাম "Society of friends" "বন্ধু মণ্ডলী" আছিল। এলিজাবেথৰ পিতাক এই সম্প্ৰদায়ৰ আছিল।

তেওঁৰ সকুকালটী এই পৰোপকাৰী মানুহৰ ভিতৰত কাটিছিল। সৰুৰে পৰা তেঁও গম্ভীৰ চিন্তাশালী নম্ৰ আছিল, বেশভূষাত তেওঁৰ মন নাছিল। বয়সৰ লগে লগে তেওঁ নিজক "বন্ধু" সম্প্ৰদায়ৰ কৰি নিলে। তেওঁৰ জীবনৰ উদ্দেশ্য হল পৰৰ দুখ দূৰ কৰা দুৰ্দ্দশাগ্ৰস্তক উদ্ধাৰ কৰা। বিশ বছৰৰ সময়ত তেওঁৰ এই মণ্ডলীৰে এজন ভদ্ৰ "বন্ধুৰ" লগত বিয়া হল। তেওঁৰ বিবাহিত জীবন সুখৰ হৈছিল। গিৰিয়েক ঘৈণীয়েক দুইয়ো একেলগে এই পবিত্ৰ সেৱা ধৰ্ম্মত জীবন ঢালি দিলে। প্ৰথমেই কইছোঁ তেওঁৰ প্ৰাণে কয়েদী বিলাকৰ নিমিত্তে কাঁন্দিছিল। তেঁও সিহঁতৰ ভবিষ্যত জীবনৰ উন্নতিৰ নিমিত্তে দৃঢ় প্ৰতিজ্ঞ হল। জেইললৈ গৈ ফটা কাপোৰ পিন্ধা, দুৰ্ব্বল, পেট ভৰাই খাবলৈ নেপোৱা মানুহ বিলাকক যিমান দূৰ পাৰে সজ পথলৈ আনিবলৈ আৰু সিহঁতৰ দুৰ্দ্দশা দূৰ কৰিবলৈ তেওঁ চেষ্টা কৰিবলৈ ধৰিলে। তেওঁ সৰু সৰু কয়েদী বিলাকৰ নিমিত্তে এটী স্কুল পাতিলে। হতভাগ্য পাপী কয়েদীবিলাক চিৰকাল মানুহৰ ঘিণৰ বস্তু, কোনোৱে সিহঁতৰ লগত মিঠা কথা নকয়, সিহঁতৰ ফালে চালেও যেন পাপ হয়

বুলি ভাবে ; সেই কয়েদীবিলাকে দেখিলে সিহঁতক ভাল পাবলৈ তিৰুতা এজন আহিছে, তেঁও মিঠা কথা কয়, ঘিণৰে নাচায়। এলিজাবেথক সিহঁতে দেবী বুলি মনত ভাবিলে। পাপী কয়েদীৰ ওচৰেদি ৰাজ-কৰ্ম্মচাৰী বিলাকেও যাবলৈ ভয় পায় কিন্তু তাৰ ভিতৰেদি সেই সৰুকালৰ ভীৰু স্বভাবা এলিজাবেথে নিৰ্ভয়ে ঘূৰি ঘূৰি ফুৰিবলৈ ধৰিলে। তেওঁ সিহঁতক দুইটা কামত মন দিয়াবৰ নিমিত্তে চেষ্টা কৰিলে, জেইলৰ কাম কৰি যিথিনি সময় অবসৰ পাইছিল সেইখিনি সময় কাজিয়া নকৰি এটা কাম হাতত লৈ কৰা আৰু দ্বিতীয়টো ভাল ভাল কিতাপ বা ধৰ্ম্মৰ বিষয় কিতাপ পঢ়া। ধৰ্ম্মগ্ৰন্থ পঢ়াই জীৱনৰ উন্নতিৰ এক-মাত্ৰ উপায় তেও বিশ্বাস কৰিছিল আৰু কয়েদী বন্ধু বিলাকক তাকে কৰাবৰ যত্ন কৰিছিল। প্ৰথম প্ৰথম তেওঁক সকলোৱে হাঁহিছিল। যি দুষ্কৰ্ম্ম কৰি কয়েদী হৈছে তাক ভাল কৰিব খোজা এটা হাঁহিৰ কথা নহানে ? তেওঁ কিন্তু তাত ভ্ৰূক্ষেপ নকৰিলে। তেওঁ ভাবিলে "এই কাম মোৰ নহয়, প্ৰভুৱে মোক দি কৰাইছে"। মনৰ সবলতাৰ দ্বাৰাই মনক টানি আনিব প'ৰি। এলিজাবেথে নিজৰ ভায়েক

ভণীয়েকৰ দৰে এই কয়েদীবিলাককে সৈতে মিলি-ছিল, যেতিয়া তেঁও এই হতভাগ্য বন্ধু বিলাককলৈ লাহে লাহে কোমল স্বৰেৰে বাইবেল পঢ়ি শুনাইছিল আৰু সৰল বিশ্বাসেৰে কাতৰ প্ৰাৰ্থনা কৰিছিল সিহঁ-তৰ প্ৰাণ কান্দি উঠিছিল, পাপত বুৰি থকা অনেক কয়েদীএ অনুতাপৰ চকুৰ পাণীৰে বুকু তিতাইছিল আৰু নিজৰ মনক পাতল কৰিছিল। এওঁ যে কেবল কেই ঘণ্টা সিহঁতৰ ওচৰত থাকিয়েই নিশ্চিন্ত হৈছিল এনে নহয় ; এওঁ নানা দেশৰ ডাঙৰ ডাঙৰ মানুহলৈ এই অনুষ্ঠানৰ কথা লেখি সাহায্য মাগিছিল আৰু সেই দেশতো এই অনুষ্ঠান কৰিবৰ নিমিত্তে অনুৰোধ কৰিছিল। নানা সভাত নিজৰ উদ্দেশ্য প্ৰকাশ কৰি বক্তৃতা দিছিল। কোনো কোনো মানুহে এই কাম অসম্ভব বুলি এৰি দিবৰ পৰামৰ্শ তেওঁক দিছিল, কোনোবাইবা তেঁওৰ মূৰৰ বিকৃতী ( বলীয়া ) হৈছে বুলি কৈছিল। কিন্তু তেঁও কাৰো কথালৈ কাণ নিদি নিজৰ উদ্দেশ্য পালনৰ নিমিত্তে প্ৰাণপণে চেষ্টা কৰিছিল। ভাৰতবৰ্ষৰ পৰা দ্বীপান্তৰ হোৱা কয়েদী বিলাকক যেনেকৈ আণ্ডামান দ্বীপলৈ পঠোৱা হয় সেই সময়ত ইংলণ্ডৰ অপৰাধীবিলাকক অষ্ট্ৰেলিয়াৰ

বটেনি বে (Botany bay) নামেৰে ঠাইলৈ পঠোৱা হৈছিল। কেমাহমানৰ অন্তৰত জাহাজত কয়েদী বোজাই কৰি লৈ-যোৱা হৈছিল, যি কেইদিন বন্দৰত জাহাজ বন্ধা থাকিছিল এলিজাবেথে জাহাজলৈ গৈ কয়েদী বিলাকৰ অবস্থা দেখিছিল সিহঁতক সহানুভূতি কৰিছিল, লগত বহুৰাই প্ৰাৰ্থনা কৰিছিল, বাই-বেল পঢ়ি শুনাইছিল, ভাল ভাল উপদেশ দিছিল, ভবিষ্যতৎ পঢ়িবৰ নিমিত্তে সুন্দৰ সুন্দৰ কিতাপ আৰু বাইবেল দিছিল। আত্মীয় স্বজন এৰি যোৱা সেই দ্বীপান্তৰিত ঠাইতো সিহঁতে যাতে ভালে থাকে তাকে শিকাইছিল আৰু নিজৰ দোষ ভগৱানৰ ওছৰত জনাই অনুতাপ আৰু প্ৰাৰ্থনা কৰিবলৈ উপদেশ দিছিল।

ইমানবিলাক কাম কৰিও তেওঁ যিখিনি সময় অৱসৰ পাইছিল সীয়াৰ কাম কৰি বেচি সেই পয়চা কয়েদীহঁতৰ কল্যাণৰ নিমিত্তে খৰচ কৰিছিল। যেতিয়া সকলোৱে তেওঁৰ কামৰ মহত্ব আৰু প্ৰয়োজন বুজিলে চাৰিওফালৰ পৰা বহুতে তেওঁক টকা পয়চা দি সাহায্য কৰিব ধৰিলে। পাগলা গাৰদ বিলাকৰ ভিতৰলৈ গৈ পাগল বিলাকক তেঁও

সান্ত্বনা দিছিল। Work-house ( যত দুখীয়া ও এলেহুৱা মানুহ বিলাকক নানা কামত সুনুয়া হয় ) প্ৰভৃতি নানা ঠাইলৈ গৈ দুখীয়া মানুহক নানাভাবে সাহায্য কৰিছিল। সেই সময়তে তেঁওৰ পৰিশ্ৰমৰ সাৰ্থকতা দেখা গৈছিল। কয়েদী বিলাকৰ স্বভাৱত উন্নতি দেখা গৈছিল এনে যে দ্বীপান্তৰিত কয়েদীকো তেঁওৰ স্মৃতি মনত কৰি বাইবেল পঢ়া দেখা গৈছিল। যতে পৰৰ দুখ অলপমানো তেঁও লাঘৱ কৰিব পাৰে তালৈকে তেঁও গৈ ক্ষমতানুসাৰে দুখ দূৰ কৰিবৰ চেষ্টা কৰিছিল। তেঁও মানুহৰ প্ৰশংসাৰ নিমিত্তে ৰাট নাচাইছিল, অনুতাপ কৰি যি এটোপা চকুৰ পাণী পেলাইছিল সেইটোকে তেঁও তেঁওৰ পুৰস্কাৰ মনত কৰিছিল। তেঁও যে তেঁওৰ নিজৰ ঘৰৰ কামৰ বা স্বামী পুত্ৰ ইঁতক অৱহেলা কৰিছিল এইটো নহয়। এঘাৰটী সন্তানক পালন কৰি, সিহঁতৰ খোৱা আৰু শিক্ষাৰ বন্ধবস্ত কৰি, ঘৰৰ ঘৈণীৰ কাম পালন কৰিও তেঁও এনেকৈ কামত জীৱন উৎসৰ্গ কৰিছিল। দুৰ্ব্বল শৰীৰে আৰু ইমান পৰিশ্ৰম সহিব নোৱাৰিলে। শৰীৰ লাহে লাহে ভাঙ্গি পৰিল পয়ষষ্ঠী বছৰ বয়সৰ সময় সকলোকে এৰি এলিজাবেথ ফ্ৰাই

নিত্যধামলৈ গুচি গল। জেইলখানাৰ কয়েদীবিলাকে মাক আৰু ভণীয়েকক হেৰুৱালে। আমাৰ শিক্ষিৱ লগীয়া বস্তু এলিজাবেথে ইহজগতত থৈ গল।

---

# জয়মতী কুঁৱৰী।

জয়মতী কুঁৱৰীৰ বৃত্তান্ত আমাৰ দেশৰ প্ৰায় সকলোৱেই জানে তেঁও আমাৰ দেশৰ তিৰুতাৰ প্ৰাতঃস্মৰণীয়া। অতীত যুগত সীতা দময়ন্তী প্ৰভৃতিয়ে যেনে সতীত্বৰ কাহিনী জগতত থৈ গৈছে আমাৰ দেশৰ বাণী "জয়মতী কুঁৱৰী"ৱেও সেইৰূপ সতীত্বৰ কাহিনী থৈ আমাৰ দেশৰ গৌৰবৰ বস্তু হৈ চিৰদিন আসাম দেশক উজ্জ্বল কৰি থাকিব। পূৰ্ব্বকালত ৰজাবিলাক শিক্ষিত নাছিল আৰু তেঁওবিলাক নিজক প্ৰায় "ঈশ্বৰ" বুলি য়েই ভাবিছিল। মানুহক বধ কৰিবলৈকো অলপো ধৰ্ম্মভয় নকৰিছিল। ১৬৬৩ খৃষ্টাব্দত চক্ৰধ্বজ সিং নামেৰে এজন আহোম ৰজা আছিল, তেঁও সাতবছৰ ৰাজত্বৰ পাছত স্বৰ্গাৰোহণ কৰে আৰু তেঁওৰ ভায়েক উদয়াদিত্য ৰজা হয়, কিন্তু তেঁওক মন্ত্ৰী সকলে বিষ

খুৱাই মাৰিপেলায়। কেই বছৰমান ৰাজ্যত বৰ অৰাজকতা হয়। পাছত মন্ত্ৰী সকলে চামুগুৰী ৰাজ-বংশৰ চুলিকৃফা নামেৰে এজনক ৰাজ সিংহাসনত ৰহুয়াই। এওঁ অলপ বয়সৰ আছিল দেখি "লৰা-ৰজা" নাম পাইছিল। এওঁৰ বৰ তীক্ষ্ণ বুদ্ধি আছিল কিন্তু শৰীৰ দুৰ্ব্বল ও ক্ষীণ আছিল। তেঁও সিংহা-সনত বহিয়েই বুজ পালে যে মন্ত্ৰী বিলাকৰ মতিগতি ভাল নহয়, সুবিধা পালেই অইন ৰাজকুমাৰক আনি ৰজা পাতিব আৰু তেঁওক কৌশলেৰে বধ কৰিব। এই ভাবি লৰা ৰজাই যত্ যত্ ৰাজকুমাৰ আছিল সেই সকলক গুপ্তভাবে বধ কৰাবলৈ ধৰিলে। সেই সময়ত তুঙ্গখুঙ্গীয়া বংশৰ গোবৰ ৰজাৰ গদাপাণি নামে এজন ৰাজকুমাৰ আছিল। এওঁ অতি বলিষ্ঠ আছিল। লৰা-ৰজাৰ এওঁক বধ কৰিবৰ হুকুম হল। কিন্তু মানুহ বিলাকে এই কাম অতি সহজ বুলি নাভাবিলে। এই গদাপাণি ৰজাৰ ৰাণীয়েই আমাৰ জয়মতী কুঁৱৰী। এওঁ বিলাকৰ কাণলৈকো এই কথা গল। কোৱঁৰে ভয় নেখালে কিন্তু কুৱঁৰীৰ আশঙ্কা হল। গদাপাণিৰ প্ৰাণ ৰক্ষাৰ নিমিত্তে জয়-মতীয়ে তেঁওক ৰাজ্যৰ-পৰা ছদ্মবেশ ধৰি পলাই

যাবলৈ অনুনয় বিনয় কৰিলে। গদাপাণিয়ে সেই কথাত কাণ নাপাতিলে। জয়মতীয়ে কাকূতি কৰি হাত জুৰি কলে "তুমিয়েই মোৰ ঈশ্বৰ, তোমাৰ বীৰ হৃদয়ত ভয় নাই সঁচা কিন্তু তোমাক ধৰি নিলে বা বধ কৰিলে মই এই সৰু লৰা দুটী লৈ কি কৰিম তোমাৰ জীৱনৰ মূল্য আছে, তুমি অইন ঠাইত সম্প্ৰতি থাকাগৈ পাছত ঈশ্বৰৰ কৰুণা হলে আকৌ আহি ৰাজত্ব কৰিবা"। কোৱঁৰে ভাৰ্য্যাৰ কাকূতি অগ্ৰাহ্য কৰিব নোৱাৰিলে। তেঁও নগাপৰ্ব্বতলৈ ছদ্মবেশ ধৰি পলাই গল। পলাবৰ পাছতে লৰা ৰজাই গদাপাণিক ধৰি আনিবলৈ সৈন্য সামন্ত পঠালে। এই সৈন্যবিলাকে উভতি গৈ তেঁওৰ পলোৱা বাৰ্ত্তা ৰজাক জনালে। ৰজাই এই কথা শুনি আৰু ভয় খালে আৰু বিপদৰ সম্ভাৱনা চকুৰ আগতে যেন দেখিলে। তেওঁ জয়মতী কুঁৱৰীক গদাপাণিৰ বাতৰি শুধি দূত পঠালে, কিন্তু জয়মতীয়ে একোয়ে নকলে, আৰু দূতৰ মুখে কৈ পঠালে যে গদাপাণিৰ সন্ধান তেঁও গদাপাণিৰ ভাৰ্য্যাৰ পৰা নাপাব। লৰা ৰজাই দূতৰ মুখত এই কথা শুনি খঙত জ্বলি উঠিল আৰু জয়মতীক বন্দী কৰি ধৰি নিবলৈ আজ্ঞা দিলে।

ৰজাৰ হুকুম পায় সৈন্যবিলাকে জয়মতী কুঁৱৰীক ৰজাৰ ওচৰলৈ বন্দী কৰি ধৰি নিলে। ৰজাই কলে "যদি তুমি তোমাৰ গিৰীয়া ক'ত লুকাই আছে নোকোৱা, বেতৰে মাৰি মাৰি তোমাৰ প্ৰাণ বধ কৰিম"। কুঁৱৰীয়ে অতি গৰ্ব্বৰে কলে "মুই পূৰ্ব্বেই কৈছোঁ যে মোৰ দ্বাৰাই মোৰ স্বামীৰ বাৰ্ত্তা আপোনা-লোকে নাপায় আৰু নুশুধিব, মোক বন্দী কৰি আনিছে মোৰ প্ৰাণ আপোনাৰ হাতত, মাৰিব পাৰে মই প্ৰাণ দিবলৈ প্ৰস্তুত আছো, কিন্তু মোৰ পৰা বাৰ্ত্তা উলিয়াব নোৱাৰে।" ৰজাই খঙত জ্বলি উঠিল, কি কৰিব ঠিক কৰিব নোৱাৰি মন্ত্ৰীক কলে "জয়মতীক লৈ গৈ, সকলোৰে দেখাকৈ মুকলি পথাৰত, খুঁটাত বান্ধি বেত মৰোৱা; একেদিনে মাৰি বধ নকৰিবা, যিমান দিনলৈকে গদাপাণিৰ বাতৰি নকয় তিমান দিনলৈকে মাৰি মাৰি যাতনা দিয়া।" মন্ত্ৰীয়ে কুৱঁৰীক সেই দৰে বেত্ মৰুৱাবলৈ ধৰিলে। ৰাজ্যৰ মানুহে আৰু বাটৰ বাটৰুৱাইও এই নিৰ্দ্দয় দৃশ্য দেখি চকুৰ পাণী টুকি টুকি যাবলৈ ধৰিলে আৰু ৰজাক নিন্দা কৰিবলৈ ধৰিলে। দুৰ্ব্বল ৰজাই ভাবিলে যন্ত্ৰণা সহিব নোৱাৰি জয়মতীয়ে গদাপাণিৰ

বাতৰি কব, কিন্তু সতীৰ প্ৰেমৰ কথা ৰজাই এবাৰ ভাবি নেদেখিলে এই বাতৰি নগা পৰ্ব্বতলৈকো গল ; গদাপাণিয়ে শুনি অস্থিৰ হৈ, ছদ্মবেশ ধৰি লৰা ৰজাৰ ৰাইজলৈ আহিল। দূৰৈৰ পৰা থিয় দি কুঁৱৰীৰ যন্ত্ৰণা দেখি অধীৰ হৈ কলে "তুই গিৰিয়াৰাৰ সন্ধান কৈ নিস্তাৰ নোহোৱা কিয় ?" ৰাণীয়ে তেতিয়া ভগবানৰ নাম আৰু স্বামীৰ নাম ধ্যান কৰি নীৰবে বেতৰ মাৰ খাইছে, কথা কাণলৈ নগল। দুবাৰৰ পাছত কুঁৱৰীৰ কাণলৈ কথা বিলাক সোমাল, গদাপাণিক চিনিলে। যাৰ নিমিত্তে এই অসহনীয় যন্ত্ৰণাও একো যাতনা বোধ নকৰি তেওঁ অকাতৰে সহিছে সেই গদাপাণিক দেখি অধীৰা হৈ পৰিল, যাৰ নিমিত্তে ইমান লাঞ্ছনা, যন্ত্ৰণা সহিছে, তেঁও নিজে আহি ধৰা দিবহি এই ভাবি ব্যাকুলহৈ কলে "মানুহ, তুমি কিয় মোক বিৰক্ত কৰিছা, তুমি তোমাৰ ঘৰলৈ যোৱা, সতী তিৰুতাই স্বামীৰ নিমিত্তে সকলো সহ্য কৰিব পাৰে, স্বামীৰ মঙ্গলাৰ্থে আবশ্যক হলে প্ৰাণও দিব পাৰে, মোৰ দ্বাৰাই কোনেও মোৰ স্বামীৰ বাতৰি নাপায়, তুমি মোক বিৰক্ত নকৰিবা।" কাতৰ চকুৰে গদাপাণিৰ ফাললৈ চাই অনুনয় কৰি এই কথাবিলাক

কুলে আৰু চকুৱে যিমান দূৰ পাৰে বুজালে যে তেঁওক তেঁও চিনিছে আৰু তাকে অনুৰোধ কৰিছে। গদাপাণিয়ে আৰু তেঁওৰ কথা পেলাব নোৱাৰিলে আকৌ নগাপৰ্ব্বতলৈ গলগৈ। আৰু ১৭।১৫ দিন এই অত্যাচাৰ চলিছিল। সতী কুঁৱৰী জয়মতীয়ে প্ৰায় ২২।২৩ দিন বেতৰ মাৰ খায়, ৰক্তাক্ত শৰীৰৰ পিনে নাচাই এই অসহণীয় যন্ত্ৰণা সহ কৰি, ভগ-বান আৰু স্বামীৰ নামলৈ দেহত্যাগ কৰি স্বৰ্গা-ৰোহণ কৰিলে। সতী সাধ্বীৰ কীৰ্ত্তি এই ইয়াকে বোলে!!

পাছত গদাপাণিয়ে সৈন্য সামন্ত সংগ্ৰহ কৰি লৰা ৰজাক আক্ৰমণ কৰি বধ কৰে আৰু ৰজাও হৈছিল। তেঁওৰ মৃত্যুৰ পাছত “লাই” তেঁওৰ পুতেক ৰজা হয়। মাতৃদেবীৰ স্মৰণাৰ্থে আৰু মাতৃকীৰ্ত্তি চিৰস্মৰণীয় কৰিবৰ নিমিত্তে শিৱসাগৰ জিলাত যিখিনিত কুঁৱৰীয়ে ৰক্তাক্ত দেহেৰে প্ৰাণ দিছিল তাতে “জয়-সাগৰ” নাম দি পুখুৰী এটা খানি দিছে আৰু “জয়-দোল” নামেৰে দেবতাৰ মন্দিৰ এটা কৰি মাতৃ ভক্তিৰ চিন দেখুৱাই সকলোৰে প্ৰশংসনীয় হৈছে। বাটৰ বাটৰুৱাইও সেই বাটেদি গলে এবাৰ

জয়মতীক স্মৰণ নকৰি নোৱাৰে। আসাম দেশও এই সতীৰ নিমিত্তে চিৰদিন গৌৰবান্বিত হৈ থাকিব।

---

# শচী আই

আমাৰ আসাম দেশত মহাপুৰুষ শঙ্কৰদেব যেনে ধৰ্ম্মসাধন আৰু ধৰ্ম্মপ্ৰচাৰ কৰি চিৰস্মৰণীয় হৈছে, বঙ্গদেশতো তেঁওৰে নিচিনা এজন ধৰ্ম্ম প্ৰচাৰক মহা পুৰুষ জন্মগ্ৰহণ কৰি বঙ্গলা, উড়িষ্যা প্ৰভৃতি ঠাই প্ৰেম প্লাবনেৰে বুৰাইছিল। তেঁওৰ নাম চৈতন্যদেব। আজি পৰ্য্যন্ত চৈতন্যদেবৰ নাম বঙ্গদেশৰ ঘৰে ঘৰে আৰু উড়িষ্যাৰ ঠাইয়ে ঠাইয়ে কীৰ্ত্তনহৈ থাকে। দেখা যায় যিবিলাক মহাপুৰুষ পৃথিবীত চিৰস্মৰণীয় হৈছে সকলোৰেই মাতৃৰ সদ্‌গুণ আৰু সৎ শিক্ষাৰ ফলত। এই মহাপুৰুষও মাতৃদেবী "শচীৰ" ধৰ্ম্ম আৰু সদ্‌গুণৰ ফল। শচীদেবীৰ চৰিত্ৰৰ দৃঢ়তা, উদাৰতা, আৰু কোমলতা দেখি তাকে বুজা যায়। ধৰ্ম্ম চৰিত্ৰ, বিদ্যা, সকলো বিষয় শিক্ষাৰ স্থল মাতৃদেবী। চৈতন্যদেব বঙ্গদেশৰ "নদীয়া" নামেৰে এখন গাঁওত জন্ম-

গ্ৰহণ কৰে। তেঁওৰ পিতাক জগন্নাথ মিশ্ৰ নিমাইৰ (চৈতন্যদেবৰ নাম নিমাই) সৰুকালতে মৃত্যু হয়, শিক্ষা, পালন সকলো ভাৰ তেঁওৰ মাকৰ ওপৰত পৰিল। শচীদেবী অতি কোমল প্ৰকৃতিৰ ধাৰ্ম্মিকা তিৰুতা আছিল। নদীয়া জিলাৰ সকলোৰে তেঁও পূজনীয়া আছিল, আৰু সকলোৱে তেঁওক মাকৰ নিচিনা দেখিছিল আৰু "শচীমাই" বুলি মাতিছিল। তেওঁৰ ডাঙ্গৰ লৰাটী যৌবনতে সন্ন্যাসী হৈ যায়। আঠজনী ছোৱালীৰ পাছত এই নিমাইৰ জন্ম। ছোৱালীকেইটীৰ সৰুতে মৃত্যু হয়। নিমাই কমান আদৰৰ আৰু যতনৰ ধন হল তাক বুজিবই পৰা যায়। সন্তান শাসন আৰু পালন বৰ গুৰুতৰ কাম, প্ৰায় দেখা যায় এনে আদৰৰ লৰাবিলাক কুপথলৈ যায়। শচীদেবীয়ে দহটী সন্তানক বিসৰ্জ্জন দি স্বামীক হেৰুৱাই এই সন্তানটীৰ সকলো ভাৰ নিজৰ স্কন্ধত লব লগীয়া হ পৰিল। নিমাই চঞ্চল, তেওঁৰ মন হৰিপ্ৰেমত ডুবিল। হৰিপ্ৰেমত মুগ্ধ হৈ চৈতন্য হৰিসঙ্কীৰ্ত্তন কৰি ফুৰে, শচীদেবীয়ে চাকি এটী জ্বলাই ভগবানৰ চৰণত পুত্ৰৰ মঙ্গল কামনা কৰি ৰাতি দুৱাৰমুখেতে বহি থাকে। চৈতন্যই আহি

"মা" বুলি মাতিলে দুয়াৰ মেলিদি মুখত চুমা খায় লৰাক ঘৰন ভিতৰলৈ নি ঈশ্বৰৰ নাম কৰি সৰু লৰাৰ দৰে বহি বহি খুৱাই। হৰিপ্ৰেমৰ কথা মাক পুতেক দুয়ো আলাপ কৰি কৰি শুই পৰে। নিমায়ে কীৰ্ত্তন কৰি প্ৰেমত উন্মত্ত হৈ মাটীত বাগৰে, আছাৰ খায় পৰে, মাতৃদেবীয়ে সঙ্কোচমনেৰে চাই আনন্দ আৰু ভাবত চকুৰ পাণী টোকে। ৰাতিপুৱা গঙ্গা-স্নানলৈ যাবৰ সময় বোৱাৰীয়েকক শুধি যায় নিমাই কেনে আছে, ৰাতি টোপনি আহিছিলনে নাই। গঙ্গা-স্নান কৰি আহি নিমাইৰ টোপনি নাভাঙ্গিলে মুখত হাত ফুৰাই সস্নেহে উঠাই দিয়ে, কেতিয়াবাবা নিমাইয়ে মূৰটো মাকৰ কোলাত ৰাখি স্বপনৰ কথা কয় এনেকৈ সৰু লৰাটীৰ দৰে নিমাইক ডাঙ্গৰ কৰে। বয়সৰ লগে লগে ক্ৰমে ক্ৰমে নিমাইৰ অন্তৰ ঈশ্বৰপ্ৰেমত ডুবিল, সংসাৰৰ অসাৰতা মনক বিয়াকুল কৰিবলৈ ধৰিলে। হৰিনাম মুখত আনিলে কেতিয়াবাবা চকুৰ পাণীৰে বুকু বুৱাই দিয়ে, কেতিয়াবাবা নাম আৰু উচ্চাৰণ কৰিবই নোৱাৰে নিস্তব্ধভাবে বহি থাকে। এনে ভাব দেখি নিমায়ে সংসাৰ ত্যাগ কৰি যাব বুলি শচীদেবী আশঙ্কিত হল। নবদ্বীপতো জনৰব উঠিল

যে নিমাই ঘৰ এৰি সন্ন্যাসী হৈ যাব। শচীদেৱীয়ে মানুহৰ মুখত এই কথা শুনি বৰ চিন্তান্বিত হল। দহোটী সন্তানৰ মাক হৈ আটাইকেটাকে হেৰুৱাই একমাত্র সম্বল নিমাই যাক উঠোতে বঁহোতে চকুৰ মণি, অঞ্চলৰনিধি কৰি তুলিছে সেই সন্তান সন্ন্যাসী হৈ যাব এই কথা মাকৰ মনত অসহনীয়। এদিন নিমাইক শুধিলে "নিমাই তই বোলে মোক এৰি, ঘৰ এৰি সন্ন্যাসী হৈ যাব খুজিছ"; নিমাইয়ে কলে "মাই, তুমি অনুমতি নিদিলে মই কেতিয়াও নাযাওঁ।" শচী মাই নিশ্চিন্ত হল। নিমাইৰ মন ঈশ্বৰত ডুবিল, সংসাৰৰ অনিত্য অসাৰ যেন লাগিল। দেশ বিদেশত হৰি সঙ্কীৰ্ত্তন, হৰি নাম প্ৰচাৰ কৰবৰ নমিত্তে মন বিয়াকুল হল। এদিন বাহিৰত হৰি-সঙ্কীৰ্ত্তন কৰি আহি নিমাইয়ে মাকৰ চৰণ বন্দনা কৰি কলে "মাই মোক সংসাৰৰ পৰা বিদায় দিয়া।" শচীৰ মূৰত বজ্ৰ পৰাদি পৰিল কিছুমান পৰ স্তব্ধ হৈ থাকিল; মাত নোলাল। হঠাৎ তেঁওৰ দিব্যচক্ষু লাভ হল তেঁওৰ অঞ্চলৰ নিধি চকুৰ মণি নিমাইক আজি তেঁও ভগবানৰ চৰণত অৰ্পণ কৰি জগতৰ কামত দীক্ষা দিব, এনে সৌভাগ্য কেইজনৰ কপালত হয়

ইমানদিন শচীৰ স্নেহ কেৱল নিমাইৰ ওপৰত আছিল নিমাই তেওঁৰ আৰু তেওঁ নিমাইৰ, কিন্তু আজি তেওঁ দেখিলে নিমাই বিশ্বজগতৰ মানুহৰ ভায়েক, সকলোৱেই তেওঁৰ সন্তান। নিমাইৰ ওছৰত সহস্ৰ সন্তান একত্ৰ হৈ তেওঁক "মাতৃ" সম্বোধন কৰিছে, নিমাই জগতৰ দাস ভগবানৰ সেৱক। এক মুহূৰ্ত্ত মাত্ৰ নিস্তব্ধ হৈ নিমাইক সম্বোধন কৰি কলে "তুমি ভগবানৰ সেৱক হোৱা জগতৰ দাস হৈ প্ৰভুৰ নাম প্ৰচাৰ কৰা মই অতি আনন্দেৰে তোমাক জগতৰ নিমিত্তে বিদায় দিলোঁ।" এনে স্বৰ্গাদপি গৰিয়সী মাতৃ পৃথিবীত নাই বুলিলেই হয়। ভগৱানৰ চৰণত শচীয়ে নিজক আৰু নিমাইক অৰ্পণ কৰিলে। সন্তানৰ ওপৰত মাতৃৰ স্বাৰ্থত্যাগ শচীদেবীয়েই আমাক প্ৰথম দেখুৱালে।

নিমাইক বিদায় দি শচীদেবী ক্ৰমশঃ দুৰ্ব্বল হৈ পৰিবলৈ ধৰিলে, মূৰৰ অলপ বিকৃতিও হৈছিল। নিমাইৰ কথা ভাবি আৰু ভগবানৰ নাম কৰি শচী-দেবীয়ে পাঁচ বছৰ কটাবৰ পাছত, হঠাৎ এদিন শুনিলে যে নিমাই শান্তিপুৰলৈ আহিছে আৰু মাতৃ-দৰ্শনৰ নিমিত্তে শচীমাইক মাতিছে। নবদ্বীপৰ পৰা

সহস্ৰ সহস্ৰ মানুহ শান্তিপুৰলৈ যাবলৈ ধৰিলে। সকলোৰে ইচ্ছা যে নিমাই দেশতে থাকি ধৰ্ম্ম প্ৰচাৰ কৰে আৰু সকলোৱে তাকে অনুৰোধও কৰিলে। শচীদেবীয়ে বহুতদিনৰ মূৰত নিমাইক দেখি বৰ আনন্দ পালে, নিজৰ হাতেৰে ৰান্ধি বাঢ়ি খুৱালে। শচীদেবীৰো ইচ্ছা যে নিমাইয়ে ঘৰতে থাকি ধৰ্ম্ম প্ৰচাৰ কৰে। যেতিয়া সকলোৱে নিমাইক দেশত থাকিবৰ নিমিত্তে অনুৰোধ কৰিবলৈ ধৰিলে নিমাইয়ে মাকৰ কাতৰ আৰু দুৰ্ব্বল অৱস্থা দেখি আগপিছ নেভাবি কলে "মাইৰ অনুমতি বিনা কলৈকো নাযাঁও"। নিমাইৰ ভক্তসকলে শচীক "মাই, এবাৰ থাকিবলৈ কোৱাঁ" বুলি অনুৰোধ কৰিবলৈ ধৰিলে। শচীদেবীয়ে এটা দীৰ্ঘনিশ্বাস পেলাই লাহে লাহে কলে "মোৰ সন্তানৰ মই ধৰ্ম্ম নষ্ট কৰিব নোৱাৰোঁ" তেঁও যেতিয়া ভগবানৰ কামত জীৱন অৰ্পণ কৰিছে তাকে কৰি জীৱন ধন্য কৰোক মই মাজে মাজে দেখা পালেই মোক সাৰ্থক মনত কৰিম"। শচীদেবীৰ মুখত এক অপূৰ্ব্ব জ্যোতি দেখা গল। ভক্ত সকলে আচৰিত হৈ কলে "মাই কৰিলা কি, তোমাৰ কথা যে প্ৰভুৰ বেদবাক্য!

কৰিলা কি ?" শচীদেৱীয়ে অচঞ্চল ভাৱে আৰু এবাৰ কলে "মোৰ সন্তানৰ মই ধৰ্ম্ম নষ্ট নকৰোঁ, প্ৰভুৰ চৰণত অৰ্পণ কৰিলোঁ।" শচীদেৱীয়ে নিমাইক এই আদেশ দি আৰু বেশীপৰ বহিব নোৱাৰিলে "নিমাই" "নিমাই" বুলি মাটীত অচৈতন্য হই পৰি গল।

ভগবানে সেই বিশ্বৰূপিনী শচী মাইক কোলাত তুলি ললে। এনে ধৰ্ম্মভাব আৰু স্বাৰ্থত্যাগ জগতত দেখা নাযায়। এই মহিলা পৃথিবীত চিৰস্মৰণীয় হৈ থাকিব।

---

## ফ্লোৰেন্স নাইটীঙ্গেল।

অইনৰ নিমিত্তে যাৰ মন কান্দে, দুখীৰ চকুৰ পাণী দেখিলে যাৰ চকুত এটোপা পাণী ওলায় সেই জনেই ধন্য। জীৱনৰ চৰম সাৰ্থকতা অইনৰ সেৱা কৰা। ঈশ্বৰ সেবাত আৰু মানুহৰ সেবাতে মানুহ সাধু হয়। এই ইংৰাজী তিৰুতা ফ্লোৰেন্স নাই-টীঙ্গেলও মানুহৰ দুখ দূৰ, ৰোগীৰ সুশ্ৰষা ৰোগীৰ যন্ত্ৰণাত যিমান দূৰ সাধ্য সাহায্য কৰিবৰ নিমিত্তে নিজৰ



ফ্লোৰেন্স নাইটিঙ্গেল।

জীবনক উৎসৰ্গ কৰিছিল। সংসাৰত দেখা যায় ধনীএ দুখীয়াৰ দুখ নুবুজে আৰু নেদেখে আৰু যদিবা কোনো উপকাৰ কৰে তাচ্ছিল্যৰ ভাবেৰে কৰে, মনৰ ভিতৰৰ পৰা নকৰে। ফ্লোৰেন্স ধনীৰ জীয়াৰী, সমাজত মাননীয়া ৰূপগুণত ভূষিতা, তেওঁ দুখীয়া কঙ্গালক সেৱা কৰিছিল। তেঁওৰ সেৱা শ্ৰদ্ধা ভক্তি আৰু মৰমৰ আছিল—তাচ্ছিল্যৰ দান নাছিল। তেঁও হাচপাতালত ৰোগীৰ সুশ্ৰুষাৰ কামকে জীৱনৰ উদ্দেশ্য কৰি লৈছিল। তেঁওৰ আগেয়ে ভদ্ৰগৃহস্থ ঘৰৰ ছোৱালীয়ে এই কাম নকৰিছিল, শিক্ষিতা ভাল মানুহৰ জীয়াৰীৰ এই কাম কৰা অনুচিত বুলিয়েই জানিছিল। কেবল সংসাৰত্যাগী সন্ন্যাসিনী ( Nun ) ও ধৰ্ম্মপ্ৰচাৰিকাৰ ভিতৰতহে এই কাম আবদ্ধ আছিল। চিৰপ্ৰচলিত নিয়ম ভাঙ্গি ফ্লোৰেন্স যে নিজৰ জীবনক সুশ্ৰুষাকাৰিণীৰ কামত দীক্ষিত কৰিছিল তাতে তেঁওৰ মনৰ বলৰ পৰিচয় যথেষ্ট পোৱা যায়। ধন, মান, সমাজ, গৌৰব একোৱে তেঁওক মহৎ উদ্দেশ্যৰ পৰা বিচলিত কৰিব পৰা নাছিল। তেঁওৰ দৃষ্টান্ত দেখি পাছত বহুত ইংৰাজ মহিলাই তেঁওৰ অনুসৰণ কৰিছে।

ইটালীৰ ফ্লোৰেন্স নগৰত এঁওৰ জনম হয়। এঁওৰ পিতাক সম্ভ্ৰান্তবংশৰ আৰু ধনী মানুহ আছিল। সৰুতে তেঁও পিতাকৰ লগত নানা দেশ ফুৰি ফুৰিছিল, সেই সকলো ঠাইৰ জেইল, আচপাতাল, দৰিদ্ৰাশ্ৰম প্ৰভৃতি ঠাইলৈ গৈছিল আৰু নিজৰ সাধ্য অনুসাৰে সকলোকে সাহায্য কৰিছিল। এই সময়ত তেঁওৰ মনত খেলালে যে শিক্ষিতা তিৰুতাই সুশ্ৰূষাৰ ভাৰ লোৱা উচিৎ ; মাকৰ সেৱাতেহে বহুতো সন্তানে আৰোগ্য লাভ কৰে। তেঁও সেই বাৎসল্য ভাবেৰে আচপাতালৰ ৰোগী বিলাকক সেবা সুশ্ৰূষা কৰিবৰ নিমিত্তে সঙ্কল্প স্থিৰ কৰিলে। সেই সময়ত জৰ্ম্মণীত তিৰুতা সকলক সুশ্ৰূষাৰ ( Nurse ) কাম শিকোৱা হৈছিল। তাত প্ৰায় ধৰ্ম্মপ্ৰচাৰিকা ( Nun ) সকলেই শিখিছিল। ছাব্বিশ বছৰ বয়সৰ সময়ত ফ্লোৰেন্স এই স্কুলত সোমাল। স্কুলত শিকা কাম শেষ হলত তেঁও ঘৰলৈ উভতি আহি কিছুদিন বিশ্ৰাম কৰে। তেঁওৰ স্বাস্থ্য তেনে ভাল নাছিল। মনৰ উৎসাহ কিন্তু অদম্য। অলপ দিনৰ পাছতে তেঁও নিজৰ কাম বিচাৰি উলিয়ালে। লণ্ডনৰ এডোখৰ ঠাইৰ স্বাস্থ্যনিবাস, উপযুক্ত মানুহৰ অভাবত অতি

শোচনীয় অৱস্থাত পৰিছিল। তেওঁ সেই স্বাস্থ্য-নিবাসৰ ভাৰ ললে। নিজে এটা পয়সা নলৈছিল বৰঞ্চ যত ৰকমে পাৰে সাহায্য কৰিছিল ; ফ্লোৰেন্সৰ অক্লান্ত সেবাৰ গুণত অলপদিনতে এই স্বাস্থ্য নিবাসে উন্নতিলাভ কৰিলে। এইটোৱেই তেঁওৰ জীৱনৰ প্ৰথম মঙ্গলকৰ কাম। ইয়াৰ কিছুদিনৰ পাছতে ক্ৰিমিয়া যুদ্ধ (Crimean war) আৰম্ভ হয়। এই যুদ্ধত ইংৰাজ এক পক্ষত আছিল। যুদ্ধত হেজাৰে হেজাৰে মানুহ মৰে। একো দিনতে কত মানুহ মৰে, আহত হয়, কাৰোবা হাত ভাঙ্গে কাৰোবা চকু নষ্ট হয়, কোনোৱেবা চিৰদিনৰ নিমিত্তে বিকলাঙ্গ হৈ পৰে। যিমান মানুহ যুদ্ধত মৰে আহতৰ সংখ্যা তাতকৈও সৰহ। এই সকলো মানুহৰ সেবা শুশ্ৰূষা কৰি পুনৰায় সুস্থ কৰিবৰ নিমিত্তে মানুহৰ আৱশ্যক হয়। আজিকালি যুদ্ধক্ষেত্ৰত নানাৰকম বন্ধ বস্ত কৰা হয়। বিশেষ আহত বিলাকক সেবা কৰিবৰ নিমিত্তে বহুত মানুহক নিযুক্ত কৰা হয়, চাকৰ প্ৰভৃতি ৰখা হয়, কিন্তু সেই সময়ত যেতিয়া ক্ৰিমিয়া যুদ্ধ হয় তেতিয়া ভাল বন্ধবস্ত নাছিল। দেশৰ নিমিত্তে যিবিলাকে নিজৰ জীৱন তুচ্ছ কৰি, ৰোদ,বৰষুণ, জাৰ,

ঘাম গ্ৰাহ্য নকৰি জীৱন বিপন্ন কৰে সেই সকলৰ স্বু
স্বাস্থ্য দেখা যে উচিৎ এইটো আগৰ দিনৰ মানু
সিমান নুবুজিছিল। চিকিৎসা আৰু সুশ্ৰুষাৰ অভাৱ
কিমান মানুহে প্ৰাণ দিছিল ; ইংৰাজ গৱৰ্ণমেণ্টে
সেই সময়ত এইটো বুজিলে। ক্ৰিমিয়া যুদ্ধৰ আহত
ৱিলাকক সুশ্ৰুষা কৰিবৰ নিমিত্তে নানাৰকমৰ বন্ধবস্ত
কৰা হল। পঁচা তুলি দেশৰ বহুতো মহৎ মানুহে
সাহায্য কৰি এদল মানুহক সেবাৰ নিমিত্তে পাঠোৱাৰ
বন্ধবস্ত হল। বিবি ফ্লোৰেন্সে নিজে যাবৰ নিমিত্তে
গভৰ্ণমেণ্টলৈ আবেদন কৰি পঠালে। গভৰ্ণমেণ্টে
অতি সাদৰেৰে তেঁওক প্ৰধান সুশ্ৰূষাকাৰিণীৰ পদত
অভিষেক কৰি পঠালে। উদাৰমনা ফ্লোৰেন্সৰ
জীৱনৰ এইটোৱেই প্ৰধান কাম। আহত সৈন্যবিলা-
কক যত আনি পেলোৱা হৈছিল তাত একো বন্ধবস্ত
নাছিল, কুকুৰ মেকুৰীৰ নিছিনা আনি পেলাই নিশ্চিন্ত
হৈছিল, ফ্লোৰেন্স তাৰ ভাল বন্ধবস্ত কৰি দিলে নিজৰ
হাতেৰে ময়লা প্ৰভৃতি ছিকন কৰি স্নেহময়ী মাতৃৰ
নিচিনা সিহঁতৰ সকলো ভাৰ নি দিন নাই ৰাতি নাই
অবিশ্ৰান্ত সেৱাত মন দিলে। তেঁওৰ স্নেহ আৰু
যত্নত বহুত মানুহৰ প্ৰাণ ৰক্ষা পালে। ডেৰবছৰ

(অসম্পূৰ্ণ)